কাৰিকৰী বিজুতিৰ বাবে
৯ মে’ ২০২৫ৰ সংখ্যাটো ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰা হ’ল। তাৰ বাবে আমি দুঃখিত।

— সম্পাদক

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ৯ মে’, ২০২৫/২৫ ব’হাগ ১৯৪৩ শক ● দাম ২.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩ ● Vol - 14, Issue - 3

# পাকিস্তানৰ ৯ টা স্থানত প্ৰচণ্ড আঘাত ভাৰতৰ

## সন্ত্ৰাসবাদী সংগঠন জইছ ই মহম্মদৰ চীফ আজাহাৰ মাচুদৰ পৰিয়ালৰ দহজন সদস্যৰ মৃত্যু

### ভাৰতীয় নাৰীৰ মৰ্যাদা ৰক্ষাৰ্থে প্ৰধানমন্ত্ৰীয়ে নিজেই দিছিল অভিযানৰ নাম

**অসম প্ৰৱাহ ঃ** এক সাহসী আৰু সুসংগঠিত সামৰিক শক্তিৰে ভাৰতৰ পাকিস্তানৰ সন্ত্ৰাসবাদী শিবিৰত আঘাত। ‘অপাৰেচন সিন্দুৰ’ নামেৰে এই অভিযানটো বুধবাৰে পুৱতি নিশা মাত্ৰ ২৫ মিনিট ধৰি চলিছিল। ভাৰতীয় সেনা বাহিনীয়ে ২৪ খন মিছাইল নিক্ষেপ কৰি পাকিস্তানত আৰু পাকিস্তানে দখল কৰা জম্মু আৰু কাশ্মীৰত (পি. ও. জে. কে) ৯ টা সন্ত্ৰাসবাদী প্ৰতিষ্ঠানক নিখুঁতভাৱে আঘাত কৰি প্ৰায় ৭০ জন সন্ত্ৰাসবাদীক হত্যা কৰিলে। ইয়াৰ লগতে সন্ত্ৰাসবাদী সংগঠন জইছ ই মহম্মদৰ চীফ আজাহাৰ মাচুদৰ পৰিয়ালৰ দহজন সদস্য ভাৰতৰ এই আক্ৰমণত মৃত্যু মুখত পৰিছে। আক্ৰমণটো ইমানেই ক্ষীপ্ৰ আছিল যে সন্ত্ৰাসবাদী শিবিৰে কিবা অনুমান কৰাৰ আগতেই শিবিৰসমূহ ধ্বংস কৰি দিয়া হৈছিল। এই খবৰ সমগ্ৰ বিশ্বত বিয়পি পৰাৰ লগে লগে ভাৰতৰ জনসাধাৰণৰ মাজত এক হৰ্ষোল্লাস পৰিলক্ষিত হয়। সমগ্ৰ ভাৰতত প্ৰধান মন্ত্ৰী মোডীৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে সকলো ভাৰতীয়। সকলোৱে একমুখে স্বীকাৰ কৰিছে পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণত নিহত হোৱা পৰিয়ালৰ সকলোৱে উচিত ন্যায় পালে।



# জাগীৰোডত নিৰ্মীয়মান টাটা অৰ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্পস্থলীত জাপানী প্ৰতিনিধি দলক আদৰণি জনালে মুখ্যমন্ত্ৰীয়ে




### জাপানৰ সহযোগিতাই প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি কৰাৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰখনলৈ বৃহৎ বৰঙণি যোগাব ঃ মুখ্যমন্ত্ৰী


**দিছপুৰ, ৪ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জাগীৰোডৰ টাটা অৰ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্পস্থলীত জাপানৰ হাউচ অব ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰো আৰু তেওঁৰ সৈতে অহা উচ্চ ক্ষমতাসম্পন্ন প্ৰতিনিধি দলটোক উষ্ম আদৰণি আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা জাপানৰ হাউচ অব ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰো আৰু তেওঁৰ সৈতে অহা উচ্চ ক্ষমতা সম্পন্ন প্ৰতিনিধি দলটোৱে আজি দ্বিতীয় দিনা জাগীৰোডত নিৰ্মীয়মান টাটা অৰ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জাপানৰ হাউচ অব ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰো আৰু তেওঁৰ সৈতে অহা প্ৰতিনিধি দলটোক প্ৰকল্পটোৰ নিৰ্মাণৰ অগ্ৰগতি প্ৰত্যক্ষ কৰোৱাৰ লগতে প্ৰকল্পটোৰ পৰৱৰ্তী কাৰ্যকলাপৰ বিষয়ে অৱগত কৰে। এই ভ্ৰমণে অসমলৈ জাপানী বিনিয়োগক আকৰ্ষণ কৰাৰ দৃষ্টিকোণৰ পৰা এক উল্লেখযোগ্য আৰু ইতিবাচক পদক্ষেপ বুলি মুখ্যমন্ত্ৰীয়ে কয়। জাপান আৰু অসম চৰকাৰৰ মাজত গঢ়ি উঠা গভীৰ সম্পৰ্কৰ বাবে অতি কম সময়ৰ ভিতৰতে অসমলৈ চতুৰ্থটো জাপানী প্ৰতিনিধি দলৰ আগমনে অসম আৰু জাপানৰ মাজত ক্ৰমবৰ্দ্ধমান দ্বিপাক্ষিক সহযোগিতা অধিক সুদৃঢ় কৰি তুলিব। জাগীৰোডত নিৰ্মাণ হ’বলগীয়া টাটা অৰ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্পটোৱে অসমৰ অৰ্ধপৰিবাহী খণ্ডৰ যাত্ৰাত এক বৃহৎ পৰিবৰ্তন আনিবলৈ সক্ষম হ’ব বুলিও মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। উল্লেখ্য যে জাপানে অৰ্ধপৰিবাহী প্ৰযুক্তিৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি বিশ্বৰ আগশাৰীৰ দেশ হিচাপে পৰিগণিত হৈ আহিছে। অসমৰ এই খণ্ডটোৰ লগত জড়িত হৈ অঞ্চলটোৰ প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি, যোগান শৃংখল শক্তিশালী কৰাৰ ৭ পৃষ্ঠাত

# বিশ্বনাথ ঘাট ঃ অসমৰ গুপ্ত কাশীৰ এক মনোমোহক বৰ্ণনা

■ **নাচিমা য়াচমিন**
বিশ্বনাথ চাৰিআলি

বিশ্বনাথ ঘাট, অসমৰ এক অপূৰ্ব সৌন্দৰ্য্যমণ্ডিত স্থান। ই বিশ্বনাথ চাৰিআলিৰ, ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত। এই ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ঐতিহাসিক গুৰুত্ব দুয়োটা সমানভাৱে উল্লেখযোগ্য। ব্ৰহ্মপুত্ৰৰ পাৰত বিস্তাৰিত এই অঞ্চলটো প্ৰকৃতিৰ স্নিগ্ধ সৌন্দৰ্য্য, গধূলিৰ ৰঙা আভাৰ সূৰ্যাস্তৰ মনোমোহক দৃশ্য আৰু শান্ত পৰিৱেশৰ বাবে পৰ্যটকসকলৰ বাবে এক আদৰ্শস্থান।

বিশ্বনাথ ঘাটক বহুতে ‘গুপ্ত কাশী’ বুলিও কয়, কিয়নো ইয়াত বহুকেইটা প্ৰাচীন শিৱ মন্দিৰৰ অৱশেষ পোৱা যায়। বিশেষকৈ বিশ্বনাথ মন্দিৰ, যি মহাদেৱৰ উপাসনাৰ সৈতে জড়িত, ইয়াক এক আস্থাৰ কেন্দ্ৰ হিচাপে গণ্য কৰা হয়। নদীৰ পাৰত থকা এই মন্দিৰবিলাক আৰু ইয়াৰ আশে-পাশে থকা মনোমোহা পৰিৱেশে ৭ পৃষ্ঠাত



অসম প্ৰৱাহ
৯ মে’, ২০২৫

# কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড়তো অনুষ্ঠিত হয় এয়াৰ ৰেইড মক এক্সাৰচাইজ



**হাছিম আলী, ডিব্ৰুগড় ঃ** ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি সমগ্ৰ দেশজুৰি অনুষ্ঠিত হোৱা যুদ্ধকালীন সুৰক্ষা ম’কড্ৰীলৰ সমান্তৰালকৈ ডিব্ৰুগড়তো যুদ্ধৰ সময়ত আকাশমাৰ্গেৰে হ’ব পৰা আক্ৰমণৰ সময়ছোৱাত ল’বলগীয়া সাৱধানতা তথা সুৰক্ষামূলক ব্যৱস্থাৰ ওপৰত এক ম’কড্ৰীল কাৰ্যসূচী ৭-৫-২০২৫ বিয়লি ৪-০০ বজাত ডিব্ৰুগড় চহৰৰ মাজ মজিয়াস্থিত ব্যস্ততাপূৰ্ণ এলেকা জয়ন্ত দত্ত পথ (ক’ল ৰোড)ত অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা প্ৰশাসন, দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ তত্বাৱধানত অনুষ্ঠিত হোৱা এই ম’কড্ৰীলত অসম আৰক্ষী, এন ডি আৰ এফ, এন চি চি, স্কাউট আৰু গাইড, অগ্নি-নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা বিভাগ, বিদ্যুৎ বিভাগ তথা স্বাস্থ্য বিভাগৰ লগতে ব্যৱসায়িক সন্থাই অংশগ্ৰহণ কৰে। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী (ভাঃপ্ৰঃসে) আৰু আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী এই মক্সকড্ৰীলত উপস্থিত থাকি সমগ্ৰ কাৰ্যসূচীৰ বুজ লয়। এই ম’কড্ৰীলৰ পাছতে এলেটৌত সন্ধিয়া ৬.৩০ বজাৰ পৰা ৭ বজালৈকে ব্লেক আউটৰ অনুশীলন কৰা হয়।

# শ্ৰীশ্ৰী মাধৱদেৱ বিৰচিত ‘নামঘোষা’ত গুৰু, দেৱ, নাম, ভকত তত্ত্ব

■ **প্ৰাণ প্ৰতিমা বড়া,** গুৱাহাটী

ষষ্ঠদশ শতিকাৰ শেষৰফালে গুৰু শংকৰদেৱৰ আজ্ঞা মতে মাধৱদেৱে এই ভক্তি কাব্যখনি ৰচনা কৰিছিল। ‘নামঘোষা’ৰ নাম শব্দটোৱে কেৱল হৰিনাম বা ভগৱানৰ নামকহে বুজাইছে। ‘ঘোষা’ শব্দটোৰ ঘুষ্দঅআৰ পৰা ঘোষা হৈছে। ভগৱানৰ নাম পুনঃ আবৃত্তি কৰা হয় বাবে এই গ্ৰন্থৰ নাম নামঘোষা। নামঘোষাত এহেজাৰ এটি ঘোষা আছে বা ইয়াক ‘হেজাৰী ঘোষা’ বুলিও কোৱা হয়। মাধৱদেৱে নিজে কৈ গৈছে-

‘গুৰু সেৱাকৈ যি পালোঁ ঘোষাতে থৈছো, অনেক শাস্ত্ৰ বিচাৰি যি পালোঁ ঘোষাতে থৈছোঁ।

বৈষ্ণৱ ধৰ্মৰ মূল চাৰিবস্তু গুৰুদেৱ, নাম, ভকত তত্ত্ব মাধৱদেৱে নামঘোষাত দি গৈছে। নামঘোষাত প্ৰথমটি ঘোষা ‘ভজন’ত গুৰু, দেৱ, নাম, ভকত তত্ত্ব প্ৰতিফলিত হৈছে। কামনা বাসনাহীন আনকি মুক্তিতো নিস্পৃহ অৰ্থাৎ শ্ৰৱণকীৰ্তনত সদানন্দ কৃষ্ণৰ লীলা-মালা, গুণগৰিমা নিমজ্জিত হৈ থাকে, যিজনৰ প্ৰেমময়ী ভক্তিত ভগৱানো বশ হয়। তেনে ভক্তহে গুৰুৰ বাবে যোগ্য।

নামঘোষাত কোৱা হৈছে-

‘যাৰ ৰাম কৃষ্ণ নাম নামে ভৱ সিন্ধু তৰি
পাৰে পৰম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰো হৃদয়ত।।

জগতখন হ’ল অসাৰ, অনিত্য। ভগৱান নিত্য, শুদ্ধ, নিৰ্মল, নিৰ্গুণ। ভগৱানে মায়া আৰু অবিদ্যাৰ জৰিয়তে সন্ত ৰূপত প্ৰকাশ কৰে। জীৱই ভ্ৰম হোৱাৰ দৰে সংসাৰখনতে সৰ্বস্ব বুলি মজি থাকে। মায়া আৱৰণ ভেদ কৰা একমাত্ৰ পথ হৈছে ভক্তি। এই পথ দেখুৱাবপৰা জনেই হ’ল গুৰু শংকৰদেৱ। মাধৱদেৱে নামঘোষাত কৈছে-

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনায় নাই নাই নাই
আমাৰ পৰম গুৰু।।

নামঘোষাত মাধৱদেৱে গুৰু শংকৰদেৱক ভক্তসকলৰ কল্পতৰু বুলি কৈছে। কল্পতৰু বৃক্ষই যিদৰে সৰ্বকাম সফল কৰে ঠিক সেইদৰে শ্ৰীমন্তশঙ্কৰদেৱ ভক্তসকলৰ কল্পতৰু বৃক্ষ। নামঘোষাৰ চাৰিবস্তুৰ আন এক প্ৰকাশ হ’ল দেৱ। নামঘোষাত অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ হৰি কৃষ্ণ দেৱতা বুলি কোৱা হৈছে।

কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগত সাৰ।।

নামঘোষাত সকলো দুখ, সুখ, সৃষ্টি, স্থিতি লয়ৰ অধিকাৰী কৃষ্ণ দেৱতা বুলি কোৱা হৈছে। দেৱৰো দেৱতা দৈৱকী নন্দন কৃষ্ণ। তেওঁৰ গুণ নামেই পৰম ধৰ্ম।

মাধৱদেৱৰ নামঘোষা নামতত্ত্ব প্ৰকাশক এখনি আদৰ্শ গ্ৰন্থ। নামঘোষাত নামে ভগৱানৰ নামক বুজাইছে। যিজন চৰাচৰ ব্ৰহ্মাণ্ডৰ গৰাকী, যিজন নিৰ্গুণ, নিৰাকাৰ, নিত্য, সত্য, বুদ্ধ, পৰমানন্দ বিষ্ণুৰ নাম। এই নাম অনাদি অনন্ত। নামঘোষা গ্ৰন্থখনিত ১৬৪ টি নামৰ উল্লেখ আছে।

চাৰিবস্তুৰ আন এক প্ৰকাশ হ’ল ভকত। ‘ভ’ মানে ভগৱন্ত ভয় বিমোচন, ‘ক’ মানে কৃষ্ণ ভক্তি আৰু ‘ত’ মানে তৰণৰ উপায় কৃষ্ণত শৰণ। ভকত ভগৱন্তৰ অতি প্ৰিয়। এই কথা গীতাত কোৱা হৈছে ভগৱন্ত ভক্তৰ অধীন, ভকত বৎসল। তেওঁ নিৰাকাৰ, চৰাচৰ যদিও ভকতৰ ওচৰত বন্দী। ভকতে যি কামনা কৰে ভগৱন্তই তাক পূৰণ কৰে।


মাধৱদেৱৰ নামঘোষাত কোৱা হৈছে -

একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণ গুণ
গাৱে সদা বাসিয়া যথাত।
বৈকুণ্ঠৰ পৰিহাৰ যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাতি।।

ভকতিৰ মূলমন্ত্ৰ হ’ল সত্য, দয়া, ক্ষমা। ভক্তৰ সৎসংগৰ অবিহনে ভকতি অপূৰ্ণ। ভক্তৰ ভক্তি পূৰ্ণ হয় সাধু সংগ বা সৎসংগৰ সান্নিধ্যত।

মাধৱদেৱৰ নামঘোষাত গুৰু, দেৱ, নাম, ভকত এই চাৰিতত্ত্ব অতি সহজ সৰল আৰু ই নামঘোষাৰ বিভিন্ন ঘোষাত পৰিস্ফুট হৈ উঠিছে।

**ম’বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮




# জামুগুৰিহাটত ভৰলীপৰীয়া কন্যকা বহুমুখী পাম আৰু জামুগুৰিহাট পৌৰসভাৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন



**চন্দন শৰ্মা, তেজপুৰ ঃ** জামুগুৰিহাট পৌৰসভাৰ অন্তৰ্গত বাপুজী ভৱনত ভৰলীপৰীয়া কন্যকা বহুমুখী পাম আৰু জামুগুৰিহাট পৌৰসভাৰ উদ্যোগত বি. কে. মেডিকেলৰ সহযোগত দেওবাৰে এখনি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। উক্ত স্বাস্থ্য পৰীক্ষা শিবিৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে নদুৱাৰ সমষ্টিৰ জনপ্ৰিয় বিধায়ক তথা ভৰলীকোঁৱৰ উপাধিৰে বিভূষিত পদ্ম হাজৰিকাই। জামুগুৰি আদৰ্শ চিকিৎসালয়ৰ জ্ঞানদীপ নাথ আৰু তেজপুৰৰ বিশিষ্ট মধুমেহ ৰোগ বিশেষজ্ঞ ড° বিদ্যুৎ কুমাৰ বৰাৰ তত্বাৱধানত জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰোগীসকলক সম্পূৰ্ণ বিনামূলীয়া Lipid Profile, LFT, Hb%, Hbtc, Sugar Test, Thyroid, Uric Acid, CBC, Creatinine ৰ পৰীক্ষা আৰু বিনামূলীয়া ঔষধ যোগান ধৰা হয়। উক্ত অনুষ্ঠানভাগত বিধায়কগৰাকী উপস্থিত হৈ শিবিৰ ভাগ পৰিদৰ্শন কৰাৰ লগতে ৰোগীসকলৰ খা খবৰ লয়। প্ৰায় তিনিশৰো অধিক বৃদ্ধ-বৃদ্ধা, যুৱক-যুৱতীয়ে এই স্বাস্থ্য পৰীক্ষা শিবিৰত অংশগ্ৰহণ কৰি নিজৰ ৰোগবোৰ ভালদৰে উন্নত চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰে।

# নগাঁৱৰ ভাৰতী বিদ্যাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সাফল্য

**বিশেষ সংবাদদাতা, নগাঁও ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত পূৰ্বৰ দৰে এইবাৰো নগাঁও চহৰৰ মাজমজিয়াৰ ভি, আই, পি ৰোডত অৱস্থিত আনন্দৰাম বৰুৱা ছিনিয়ৰ ভাৰতী বিদ্যাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে সাফল্যৰ জয়যাত্ৰা অটুত ৰাখিবলৈ সক্ষম হৈছে। জানিব পৰা মতে শিক্ষানুষ্ঠানখনৰ পৰা ২০২৪- ২৫ বৰ্ষৰ উচ্চতম মাধ্যমিক চূড়ান্ত পৰীক্ষাত শিক্ষানুষ্ঠানখনৰ পৰা বাণিজ্য শাখাত এশ শতাংশ উত্তীৰ্ণৰে পূৰ্বৰ সাফল্যৰ যাত্ৰা বজাই ৰাখিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানখনৰ কৰ্তৃপক্ষৰ হৈ অধ্যক্ষা মঞ্জু নেওগ নায়ক আৰু ৰেক্টৰ অমিত ম’ৰে জানিবলৈ দিয়া মতে-এইবাৰ আমাৰ শিক্ষানুষ্ঠানখনৰ পৰা বাণিজ্য শাখাত ১০০ শতাংশ ফলাফল হৈছে। ছাত্ৰ-ছাত্ৰী সকলৰ শীৰ্ষত শ্ৰদ্ধা পোদ্দাৰে ৯২.৮০ শতাংশ, জাছানদ্বীপ কৌৰে ৯০.২০ শতাংশ আৰু বানান দ্বীপ কৌৰে ৮৯.৪০ শতাংশ সৰ্ব্বোৰ্চ নম্বৰ লাভ কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি ২০২২ বৰ্ষত শিক্ষানুষ্ঠানখনৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য শাখাত অসমৰ ভিতৰত কাৰ্তিক ধাৰিৱালে ষষ্ঠ স্থান আৰু চীমৰণ চুড়ানাই নৱম স্থান দখল কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উল্লেখ্য যে অনাগত দিন সমূহতো শিক্ষানুষ্ঠানখনত অধ্যনত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশটোৰ প্ৰতি লক্ষ্য ৰাখি এনে ধৰণৰ ফলাফলৰ অধিকাৰী কৰি তুলিবলৈ শিক্ষানুষ্ঠানখনৰ ফালৰ পৰা চেষ্টা অব্যাহত ৰাখিব বুলি নগাঁওবাসী ৰাইজৰ মাজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে।

# নগাঁৱৰ নৈনত গৰু চোৰৰ উপদ্ৰৱ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** সঘনাই সংঘটিত হৈ থকা গৰু চোৰৰ ঘটনাই সাধাৰণ শ্ৰেণীৰ ৰাইজৰ ৰাতি টোপনি হৰিছে। জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে নগাঁও চহৰৰ কিছু নিলগৰ নৈনে মুদৈয়নী গাঁৱত যোৱা নিশা দুহাল বলধ গৰু চুৰি কৰি লৈ যোৱা ঘটনাই এতিয়া চুবুৰীটোৰ বাকী লোক সকলৰো টোপনি হৰিছে। জানিব পৰা মতে নৈনে আৰক্ষী চকীৰ সমীপৰ মুদৈয়নী গাঁৱৰ ফটিক চন্দ্ৰ মুদৈ নামৰ লোক এজনৰ ঘৰৰ পৰা যোৱা নিশা দুহাল গৰু চুৰি কৰি লৈ যোৱা ঘটনাই অঞ্চলজুৰি ৰাইজৰ চকুৰ নিদ্ৰা হৰিছে। কৃষিকৰ্মৰ জৰিয়তে জীৱন-জীৱিকাৰ একমাত্ৰ সম্বল হিচাপে থকা গোহালিৰ বলধ গৰু হাল চুৰি কৰি নিয়াত লোকজন শোকত ভাঙি পৰিছে। নৈনে আৰক্ষী চকীৰ নিচেই কাষতেই এনেধৰণৰ চুৰি কাৰ্য কেনেকৈ সংঘটিত হ’ব পালে। ইয়াক লৈ অঞ্চলবাসীৰ মনৰ মাজত এতিয়া বহু চৰ্চিত বিষয় হৈ পৰিছে। উল্লেখ্য যে ঘটনাৰ সন্দৰ্ভত লোকজনে আৰক্ষীত লিখিত এজাহাৰ দাখিল কৰে যদিও আৰক্ষীয়ে এতিয়া চোৰ কেইটাক বিচৰাৰ অভিযান অব্যাহত ৰাখিছে।

# অসমত প্ৰথম ইৰি ধান খেতি কৰা সাহিত্যিক নুৰুল হকৰ কাব্যগ্ৰন্থ ‘দলিত’

■ **আফতাদ বাঁহমূৰীয়া**

**তে**খেতে খাঁটিখোৱা ৰাইজৰ সমস্যাকলৈ সাহিত্য চৰ্চা কৰাৰ বাবেই লগ পাওঁ। সেই তেতিয়াৰ পৰাই তেখেতৰ সৈতে এক সু-সম্পৰ্ক গঢ়ি উঠিছে। বিভিন্ন সময়ে বিভিন্ন গল্প, বিশেষকৈ পেট ভৰাই এমুঠি খাবলৈ নোপোৱা মানুহৰ গল্প, ‘থুৰ-পান্তা’ খোৱা মানুহৰ গল্প কৈ থাকে। মইও খুব মনোযোগেৰে গল্পবোৰ শুনো। কিয়নো এই গল্প জীয়া গল্প। সততে দেখি থকা গল্প। লেখাৰ গভীৰলৈ সোমাই যোৱাৰ আগ মুহূৰ্তত ‘থুৰ-পান্তা’ সম্পৰ্কে কিছু কথা কৈ ল'ব খুজিছোঁ। দুই বা তিনি দশক পাছতেই মানুহৰ মাজত এই খাদ্য বহুল প্ৰচলন আছিল। এতিয়াও দুই-এক ঘৰত দেখা পোৱা যায়। মানুহে খাবলৈ পোৱা নাই। খেতিত প্ৰয়োজনতকৈ বহুত কম উৎপাদন হৈছিল। ভাত যোগাৰ হ'লেও তৰকাৰী যোগাৰ কৰিব পৰা নাছিল। তেতিয়া ভাত ৰান্ধি গৰম ভাততে পানী ঢালি দিছিল আৰু এই পান্তা ভাতকে কোৱা হয় ‘থুৰ-পান্তা’। তেখেতৰ জীৱনৰ এটি কাহিনী মনত পৰিছে। কৃষক পৰিয়ালৰ মানুহ তেখেত। অসমৰ কৃষিক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিছে। সেই সময়ত অসমৰ কৃষি খণ্ডত বিঘাত ৫-৬ মোণ ধান উৎপাদন হৈছিল। তেতিয়া চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত এক বিশেষ প্ৰজাতিৰ ধান উৎপাদন হয়। অধ্যয়নপুষ্ট হক ছাৰে এই খবৰ পায়। তেখেতে খবৰ পোৱাৰ পাছতে মৰসাহ কৰি এই বিশেষ জাতৰ ধানৰ খেতি আৰম্ভ কৰি দিলে। একমাত্ৰ সহায়ক সম্পৰ্কীয় ককায়েক ৰব্বেন আলী। অঞ্চলবাসী আনকি ঘৰৰ বাধা, বিভিন্ন তিতা কথা শুনিও কৰ্তব্যত অটল থাকে। অসমত এই বিশেষ প্ৰজাতিৰ ইৰি ধানৰ খেতিৰ প্ৰথম প্ৰচলনৰ গুৰুৰীৰ মানুহজনেই সাহিত্যিক নুৰুল হক। বৰপেটা জিলাৰ সুপৰিচিত কবি অধ্যাপক নুৰুল হকৰ কবিতা পুথি ‘দলিত’ ইতিমধ্যে গুৱাহাটীৰ শিল্পগ্ৰামত অনুষ্ঠিত হোৱা নতুন সাহিত্য পৰিষদৰ বিংশতিতম ৰাজ্যিক সন্মিলনত উন্মোচন হৈছে। ‘দলিত’ ত্ৰিভাষিক কাব্য গ্ৰন্থখনত ৩৫ টা অসমীয়া, ১৭ টা বাংলা আৰু ৬ টা ইংৰাজী কবিতাৰে কবিয়ে সুন্দৰকৈ সজাই তুলিছে। বিশিষ্ট সাহিত্যিক আবুল হুছেইনৰ মতে- ‘কেইটামান কবিতাৰ বিষয়বস্তু খুবেই বলিষ্ঠ আৰু আঙ্গিক কলাসন্মত। কবিতাবোৰত আমাৰ সমাজৰ সমস্যা আৰু কবিৰ মনৰ পুঞ্জীভূত ক্ষোভ সাৱলীলভাৱে প্ৰকাশ পাইছে। পাঠক সমাজে কবিতাবোৰ সাদৰে আদৰি ল'ব পাৰে বুলি আশা কৰিব পাৰি।’ জীৱন যুঁজৰ সফলতাৰ কাহিনীৰে সমৃদ্ধ এটা নাম নুৰুল হক। বৰপেটা জিলাৰ পাতলিকুছি পাথাৰ গাঁৱত ১৯৬০ চনৰ ১ এপ্ৰিলত জন্ম গ্ৰহণ কৰা নুৰুল হকৰ পিতৃ প্ৰয়াত আইন উদ্দিন আৰু মাতৃ পৰিস্কাৰ খাতুন। এটি কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা হক ছাৰে শৈশৱৰ পৰাই দাৰিদ্ৰতাৰ স'তে যুঁজি যুঁজি মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অৱশেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ‘খোজ'ৰ মুখ্য সম্পাদক হিতেশ শৰ্মাই লিখিছে— ‘তেখেতৰ অধ্যয়নকালৰ সংগ্ৰামভৰা কাহিনী শুনিলে দুচকু সেমেকি উঠে। অনুপ্ৰেৰণা লাভ কৰিব পাৰি তেখেতৰ জীৱন কাহিনীৰ পৰা- কেনেকৈ আৰ্থিক অনাটনেও হেঙাৰ হ'ব নোৱাৰে এগৰাকী মেধাৱী ছাত্ৰৰ বাবে। কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰাৰ সুবাদতে তেখেতে অসমৰ কৃষিক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিছে।’ ৰোগাক্ৰান্ত পিতৃয়ে ঘৰ চম্ভালিব নোৱাৰা পৰিস্থিতিত ছাত্ৰ অৱস্থাতেই তেখেতে ঘৰৰ সমস্ত দায়িত্ব মূৰ পাতি ল'বলগীয়া হোৱাত তেওঁ প্ৰাইভেট টিউচন কৰি ঘৰ চলাইছিল। এক সংগ্ৰামভৰা জীৱনৰ মাজেৰে ১৯৮৯ চনত ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে যদিও তাৰ আগতে তেখেতে ১৯৮৭ চনতেই বামুণদংৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰে। পৰৱৰ্তী সময়ত তেখেতে বিষয় শিক্ষক হিচাপে ২০২০ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। বৰ্তমান নুৰুল হকে নিখিল ভাৰত কৃষক সভাৰ লগত যুক্ত হৈ সমাজ সেৱাৰ কামত ব্ৰতী হৈছে। তেখেতৰ কবিতাৰ বিষয়ে সাহিত্যিক ড° চুলতান আলী আহমেদে লিখিছে- ‘কবিতাবোৰ পঢ়ি মোৰ অনুভৱ হৈছে যে তেখেতৰ কবিতাৰ বিষয়বস্তুবোৰ অতি উচ্চস্তৰৰ কাৰণ সেইবোৰ হৈছে আমাৰ সমাজ-জীৱনৰ গুৰুতৰ সমস্যা আৰু সংকট। সেই সমস্যাবোৰে তেওঁৰ অনুভূতিশীল আৰু সংবেদনশীল মনটোক এনেকৈ




আলোড়িত কৰিছে যে সেইবোৰে প্ৰকাশৰ বাট বিচাৰি স্বতঃস্ফূৰ্তভাৱে কবিতা হৈ ওলাই আহিছে।’

ম'বাইল ঃ ৬০০০৪-৯৪৯১৪

# বিহুগীতত তাঁতশাল

■ **দীপালী বৰ্মন**



তাঁতৰ দোৰেপতি চলায়
ঘনেপতি
পলকত টোলোঠা ঘূৰে
কৰেনো সেইগৰাকী
চিলনীৰ ঐ জীয়ৰী
চেলেংনো ছ'কঠিয়া জোৰে। -

ৰুদ্ৰ বৰুৱাৰ এই গীতটো নুশুনা অসমীয়া লোক হয়তো নায়েই। তাঁতশালত অসমীয়া শিপিনীয়ে ‘ছাঁতে শুকুৰা, মুঠিতে লুকুৱা’ পাট-মুগা মেজাঙ্কৰি কাপোৰত সোণালী সপোন ৰচনা কৰি সকলোকে চমক খুৱাই থৈছে। অসমীয়া জন-জীৱনত এই তাঁতশালৰ ভূমিকা কৈ শেষ কৰিব নোৱাৰি।

অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ, তাঁতশাল হৈছে এবিধ বয়ন শিল্প। ই অসমৰ কুটিৰ শিল্পৰ ভিতৰত অন্যতম। অসমীয়া জীয়ৰী-বোৱাৰীৰ অতি আপোন হিয়াৰ আমঠু, তাঁতশালখন। প্ৰতিঘৰৰ চোতালত এখন তাঁতশাল থকাটো আছিল এসময়ত অসমৰ গাঁৱে-ভূঁৱে দেখা সচৰাচৰ গৌৰৱোজ্বল ছবি। তাঁতশালত ঘৰৰ বাবে সকলো প্ৰয়োজনীয় বস্ত্ৰ বৈ উলিওৱাটো আছিল চহা জীৱনৰ আইদেউ সকলৰ বাবে মধুৰ সপোন। আৰু অসমীয়া নাৰীৰ এই অপূৰ্ব কাৰ্য-কুশলৰ বাবে মহাত্মা গান্ধীয়ে অসমলৈ আহি এই ঘটনা প্ৰত্যক্ষ কৰি কৈছিল, ‘অসমীয়া নাৰীয়ে কাপোৰত সপোন ৰচনা কৰিব পাৰে।’ এইটো কাৰো অবিদিত নহয় যে আগতে কাপোৰ বব নজনা ছোৱালীক থুপৰী বুলি কোৱা হৈছিল, যি কোনো কামৰ লায়ক নহয়। গতিকে অসমীয়া সমাজ জীৱনত তাঁতশালৰ গুৰুত্ব কিমান আছিল সেই কথা সহজে অনুমান কৰিব পাৰি। বোৱা-কটা জনা কাজী শিপিনী আছিল সকলোৰে আদৰৰ। অসমৰ গৌৰৱময় ইতিহাসৰ পাত লুটিয়াই চালেই বুজিব পাৰি অসমীয়া নাৰীয়ে এৰাতিৰ ভিতৰতে কপাহ নেওঠি, পাঁজি, সূতা কাটি, উঘা-চেৰেকীত লৈ, তাঁত বাটি কৰি, কৱচ-কাপোৰ বৈ স্বামী-পুত্ৰক যুঁজলৈ পঠোৱা অপূৰ্ব নিদৰ্শন।

‘ৰাতিৰ ভিতৰতে কাপোৰ বৈ দিয়া শতৰু মাৰিবলৈ যাওঁ।’

অসমীয়া জনজীৱনৰ লগত জড়িত তাঁতশালৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল সঠিককৈ কোৱা টান। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা পৰিচালিত তাতীকুঁছিত বোৱাই অনা বিখ্যাত বৃন্দাৱনী বস্ত্ৰৰ পৰাই বুজিব পাৰি এই শিল্প পাঁচশ বছৰৰ আগৰ পুৰণি। এই বস্ত্ৰ তিনিকুৰি হাত পুতল আৰু ছকুৰি হাত দীঘল।

তাঁতশালখন অসমীয়া জীয়ৰী-বোৱাৰীৰ সপোনৰ সম্পদ আছিল। হেঁপাহৰ বিহুৱান বৈ চেনাইক দিবলৈ, নিজে পিন্ধিবলৈ কাপোৰ সাজ ববলৈ আৰু ঘৰখনৰ সমূহ সদস্যলৈ প্ৰয়োজনীয় বস্ত্ৰ, চেলেং, গামোচা, আনাকটা গামোচা, শালে কটা চুৰীয়া, মৰানেজীয়া গামোচা, কিংখাপৰ মেখেলা, গাৰি দিয়া হাঁচটি, গুণাকৰা মুগাৰ মেখেলা, ৰঙা ৰিহা, এৰি-মুগাৰ সাজ, হাতীখুজিয়া ফুলাম গামোচা,খনিয়া কাপোৰ, ৰঙা শেলৰ মেখেলা-চাদৰ, ৰুমাল, তলপাৰা, টঙালি, পূজাৰ বস্ত্ৰ ইত্যাদি বৈ দিব পৰাটোত নাৰীয়ে গৌৰৱবোধ কৰে। ইয়াৰ বাবেই প্ৰয়োজন তাঁতশাল।

তাঁতশাল কেতিয়াবা আৰ্থিক সম্পদৰ উৎস হৈ পৰে। দুখীয়া লোকৰ বাবে ই উপাৰ্জনৰ আহিলা। ই নিঠৰুৱা নাৰীৰ বাবে জীৱনৰ সাৰথি।

‘সতিনী লগলৈ যাবৰে সলনি কটনা কাটিয়ে খাওঁ।’

এনেকৈ গীতত তাঁতশালত কাপোৰ বৈ বিক্ৰী কৰি ঘৰৰ পৰিয়ালৰ পোহপাল দিয়াও দেখা যায়।

অসমীয়া সমাজত ব'ব কাটিব নজনা গাভৰু মদাৰ ফুলৰ দৰে। তেওঁ ক'তো আদৰ নাপায় ।তেনে ছোৱালীৰ বিয়া-বাৰুৰ ক্ষেত্ৰত বহুত সমস্যাই দেখা দিছিল-

‘ব'বও নাজানে কাটিবও নাজানে/ লোকৰ শালে শালে ফুৰে।’

নিৰক্ষৰা হ'লেও অসমীয়া শিপিনীৰ কল্পনাই আকাশ চুমি চায়। ভাবি আচৰিত হ'ব লাগে যেতিয়া শিপিনীয়ে এশৰ পৰা তিনিশ কাঠি লৈ ৰঙীন আঁচুৰে ফুল তোলে, ৰঙীন সূতা আৰু গুণাৰে মিলাই প্ৰকৃতিৰ নানা ৰহনীয়া ছবি কাপোৰত মূৰ্ত কৰি তোলে। শিপিনীৰ নিমজ হাতত প্ৰাণ পাই ময়ূৰ, চৰাই, ফুল আদি জিলিকি উঠে তাঁতশালত।

তাঁতশাল আৰু বিহুৱান—

অসমীয়া নাৰী আৰু তাঁতশাল একেটা মুদ্ৰাৰ যেন ইপিঠি আৰু সিপিঠি। তাঁতশাল বাদ দি অসমীয়াৰ বাপতি সাহোন বিহুটি আধৰুৱা হৈ ৰ'ব। মাঘ- ফাগুন মাহৰ পৰাই শিপিনীয়ে বিহুৱান ব'বলৈ যো-জা কৰে।

ৰঙালী বিহু মানেই হেঁপাহৰ গামোচা, বিহুৱানখন। এই গামোচাখনৰ উৎপত্তি অসমীয়া শিপিনীৰ তাঁতশালতহে। ৰঙালী বিহুৰ বৈশিষ্ট্য হৈছে অসমীয়া নাৰীৰ সৃষ্ট মৰমৰ দীঘ দি চেনেহৰ বাণী হৈ হেঁপাহৰ আঁচুৰে বোৱা বিহুৱানখনি। তাঁতশালত মৰমৰ প্ৰিয়জনক দিবলৈ ৰাতি দুপৰলৈকে সূতা কাটি ৰঙাকৈ আঁচুৰে পানেকটা বাচি বিহুৱান টঙালি বৈ উলিয়ায়। অসমীয়া নাৰীৰ কৰ্মদক্ষতা, সৌন্দৰ্য জ্ঞান পাজিসেৰীয়া আঙুলিৰ পৰশত সজীৱ হৈ উঠিছে। বিহুৱানখন যাতে বিহুচেৰা নহয় তালৈ সকলোৱে তৎপৰ হৈ থাকে।


তাঁতশালত বোৱা বিভিন্ন গামোচাৰ যথেষ্ট আদৰ আছে। বিভিন্ন সভা-সমিতিত এইখন গামোচা দি পোনতে সম্বৰ্ধনা জনোৱাটো অসমীয়াৰ এটা পৰম্পৰা।

বিভিন্ন বিহুগীতত তাঁতশালৰ কথাৰ উল্লেখ পোৱা যায়।

‘নাহৰ ফুলৰ গোন্ধ পাই লাহৰিৰ তত নাই
গচকত ভাঙি যায় যঁতৰ।’

অসমীয়া শিপিনীয়ে তাঁতশালত ৰঙীন আঁচুৰে ফুল বাচে, গুণাৰে আৰু ৰঙীন সূতাৰে কিমান যে চৰাই, ফুল, তৰা আদিৰ মোহনীয় ৰূপ ফুটাই তোলে তাক কৈ শেষ কৰিব নোৱাৰি। আজি তাঁতশালত বোৱা বস্ত্ৰই মুগ্ধ কৰিছে দেশ-বিদেশৰ লোকক।

এয়াই আমাৰ তাঁতশালৰ মোহনীয়া কাহিনী যি কাহিনীয়ে যুগে যুগে অসমীয়া জাতিৰ গৌৰৱ বহন কৰি আহিছে।



# শংকাৰ মাজতো শুভ বাৰ্তা

■ বনশ্ৰী শৰ্মা
ছাত্ৰী, বি.বৰুৱা কলেজ

যিটো সময়ত অসমৰ সংগীত জগতক লৈ সকলোৱে শংকা প্ৰকাশ কৰি থকা দেখিবলৈ পোৱা যায় (অৱশ্যে এই শংকা অমূলকো নহয়) তেনে সময়তে এইখন অসমৰে এগৰাকী সংগীতশিল্পী শংকুৰাজ কোঁৱৰে তেখেতৰ এটা নতুন গান 'হল' ল'লৌ'ৰে এক ব্যতিক্ৰমী আৰু প্ৰশংসনীয় নিদৰ্শন দাঙি ধৰিছে। উক্ত গানটো বিহু সুৰীয়া হোৱাৰ লগতে বিহু গানৰ শাৰীতেই ধৰা হৈছে। বিহু মানেই জাতীয় জীৱনৰ আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতিৰ এক উৎস আৰু বিহুনাম বুলিলেই প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ আনন্দত উথলি উঠা এক লহৰ। এই যে বিহুনাম সমূহ, এয়া হ'ল লোক-সাহিত্য, লোক-সংগীত তথা লোক-সংস্কৃতিৰেই এক অংগ। বিশিষ্ট সাহিত্যিক লীলা গগৈদেৱে কৈছিল, 'বোৱতী নৈৰ গতি লোক-সাহিত্যৰ ধৰ্ম, কিন্তু অতীতৰ আদিম সত্যৰ জঁকাটো চিৰস্থায়ী।' লগতে লোক-সাহিত্যসমূহ সামাজিক জীৱনৰো বুৰঞ্জী সদৃশ বুলি ক'ব পাৰি। এইসমূহ বৈশিষ্ট্যৰ হীনদেঢ়ি নঘটাকৈয়ে শংকুৰাজ কোঁৱৰ আৰু হিমাংশু চুতীয়া শইকীয়াৰ যুতীয়া প্ৰচেষ্টাত তিনিচুকীয়াৰ মৰাণ সকলৰ হাতীশালৰ গান 'হল' ল'লৌ'ক কিছু নতুনত্বৰ পৰশ দি ৰাষ্ট্ৰীয় পৰ্যায়লৈকে লৈ গৈছে। প্ৰকৃতিৰ বুকুতেই মানুহে সংগীতৰ আবিৰ্ভাৱ হৈছিল আৰু সেই সংগীতকেই সময়ৰ বোলেৰে বোল দিছে যদিও তেওঁলোকে স্বকীয়তা হেৰাই যাব দিয়া নাই। মানুহৰ জীৱনৰ চৰম লক্ষ্যই হ'ল আনন্দ লাভ। বিহু বুলিলেই গা সাতখন-আঠখন নকৰা অসমীয়া নাই বুলিলেও ভুল বা বঢ়াই কোৱা নহ'ব। একেবাৰেই কঁকাল ঘূৰাব নজনাজনেও বিহু বুলিলে অলপ হ'লেও কঁকাল ঘূৰাবই। বিহুৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা, শ্ৰদ্ধা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা কোনেও নুই কৰিব নোৱাৰে। বিহু জাতীয় জীৱনৰ আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ-অনুভূতিৰ এক উৎস। আৰু এনে সময়তে শংকুৰাজ কোঁৱৰৰ এই গীতটোৱে সমাদৰ লাভ কৰাটো অসমীয়া সংগীত জগতৰ লগতে জাতিৰ বাবে অতি শুভ ইংগিত। লোকগীতত সময়ৰ বোল লাগে, বুৰঞ্জীৰ আঁচোৰ পৰে কিন্তু স্বকীয়তা ৰৈ যায়। শংকুৰাজ কোঁৱৰৰ 'হল' ল'লৌ' ইয়াৰে এক উদাহৰণ। লোক-সাহিত্যৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল বিশ্বজনীনতা আৰু 'হল' ল'লৌ'ৰেও এই বৈশিষ্ট্য অক্ষুণ্ণ ৰাখি ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকি উঠিছে।

বিহুনামত অনেক কাহিনীৰ পৰশো পৰে। ১৯৭১ চনৰ বাংলাদেশৰ মুক্তিযুদ্ধ, ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থা, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে চলা অসম আন্দোলন আদিয়েও বিহুনামত স্থান পাইছে। আৰু এইবাৰ হাতীশালৰ গীতেও বিহুত স্থান পালে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি হাতীশালৰ গীত জীয়াই ৰখা ফান্দী শৰৎ মৰাণকো শংকুৰাজ কোঁৱৰে ৰাইজৰ মাজত চিনাকি কৰাই দিয়াৰ লগতে সন্মানো যাচিছে। শিল্পী সত্ত্বা এনেকুৱাই যি পুৰণিৰ অৱক্ষয় নোহোৱাকৈয়ে নতুনক আদৰি লয়, যিয়ে শিপা খামুচি আগুৱাই যোৱাৰ লগতে মূল বা শিপাক সন্মান কৰে আৰু যাৰ সংগীতত কেঁচা মাটিৰ গোন্ধ বিদ্যমান। বিহুনাম অসমীয়া লোক-সংগীতৰ এক অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। অসমৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আশীৰ দশকতহে থলুৱা গীত-মাতে গা টঙাইছিল আৰু বৰ্তমান সমাজত থলুৱা গীত-মাতৰ তাৎপৰ্য আৰু মৰ্মাৰ্থ উপলব্ধি জাতিৰ বাবে এক শুভ লক্ষণ। নতুনত্বৰ কিছু চাপ পৰিলেও বহু গীতত স্বকীয় বৈশিষ্ট্য এতিয়াও বিদ্যামান আৰু শংকুৰাজ কোঁৱৰৰ দৰে শিল্পী সকলেও তাকেই প্ৰমাণ কৰি আহিছে।

# তেজপুৰত কোচ ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত কোচ ৰাজবংশী লেখিকা সভাৰ শোণিতপুৰ জিলা সমিতি গঠন



**চন্দন শৰ্মা, তেজপুৰ ঃ** সাংস্কৃতিক নগৰী তেজপুৰত কোচ ৰাজবংশী সাহিত্য সভাৰ উদ্যোগত কোচ ৰাজবংশী লেখিকা সভাৰ দেওবাৰে লুম্বেৰদাই ভৱনত শোণিতপুৰ জিলাৰ এখন সমিতি গঠন কৰা হয়। উক্ত সভাত সভাপতিৰ আসন অলংকৃত কৰে ক্ষীৰমাই দত্ত বৰাই। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে কোচ ৰাজবংশী লেখিকা সভাৰ সভানেত্ৰী নিবেদিতা ৰায়, উপ-সভানেত্ৰী শকুন্তলা চৌধুৰী, কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল বৰ্মণ, বিশিষ্ট সমাজকৰ্মী তথা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন জিলা সভাপতি জগন্নাথ বৰা, কৃষি বিভাগৰ প্ৰাক্তন যুটীয়া সঞ্চালক হৰেশ্বৰ দাস, অৱসৰী সহকাৰী অভিযন্তা ভূপেন বৰুৱা, অধ্যক্ষা অঞ্জনা বৰা প্ৰমূখ্যে ভালে সংখ্যক গণ্যমান্য ব্যক্তিৰ উপস্থিতিত ২৭ জনীয়া এখন কোচ ৰাজবংশী লেখিকা সভাৰ শোণিতপুৰ জিলাৰ শক্তিশালী কমিটি গঠন কৰা হয়। কেন্দ্ৰীয় কমিটিৰ উপসভানেত্ৰী বকুল ৰয়ে আঁত ধৰা সভাখনত চেমিনাৰ অধিকাৰীৰ স্বৰস্বতী বন্দনাৰে শুভাৰম্ভ কৰি বকুল ৰয়ৰ উদ্দেশ্য ব্যাখ্যা, মুখ্য অতিথিৰ ভাষণ, শংকৰ বৰ্মণৰ ৰাজবংশী গীত, সভাপতিৰ মন্তব্য আৰু তাপসী বৰ্মণৰ শলাগৰ শৰাইৰে সভাৰ কাৰ্যসূচী সম্পন্ন হয়। কোচ ৰাজবংশী লেখিকা সভাৰ শোণিতপুৰ জিলাৰ ২৭ জনীয়া শক্তিশালী সমিতিত সভানেত্ৰী ক্ষীৰমাই দত্ত, উপ-সভানেত্ৰী পুষ্পা ডেকা, অঞ্জনা বৰা, দিপালী দাস, সাধাৰণ সম্পাদিকা হিমাদ্ৰী শইকীয়া, সম্পাদিকা নৱনীতা হাজৰিকা, ক্ষীৰদা শইকীয়া, কল্পনা দাস, প্ৰচাৰ সম্পাদিকা মনীষা সিংহ, সাংস্কৃতিক সম্পাদিকা, পুৰবী দাস বৰা, ৰূপালী ভূঁএগ, কোষাধ্যক্ষ মনিকা দাস, সাহিত্য বিভাগ তাপসী বৰ্মন, উপদেষ্টা ডাঃ দিপ্তীৰেখা বৰুৱা, তিলোত্তমা ডেকা, বকুল ৰয় আৰু আহ্বায়িকা কোচ ৰাজবংশী লেখিকা সভাৰ উপ-সভানেত্ৰী (কেন্দ্ৰীয় কমিটি)ৰ বকুল ৰয়।

# প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ নাতি, শিৱসাগৰৰ বিশিষ্ট নাগৰিক, উদ্যোগপতি, শিল্পী অভিজিত চলিহাৰ দেহাৱসান



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰৰ বিশিষ্ট নাগৰিক, উদ্যোগপতি আৰু শিল্পী অভিজিত চলিহা ওৰফে পৰশ চলিহা (৬৫) ই যোৱা ৩ মে'ৰ দিনা পুৱা নগৰৰ মেলাচকৰ অঞ্চলত অৱস্থিত নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত বিমলা প্ৰসাদ চলিহাৰ নাতি তথা প্ৰয়াত দেৱব্ৰত চলিহা আৰু হেমলতা চলিহাৰ পুত্ৰ অভিজিত চলিহা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কন্যা জয়শ্ৰী চলিহা আৰু প্ৰয়াত সত্যব্ৰত চলিহাৰ ভতিজাক আছিল। উল্লেখ্য যে, দীৰ্ঘকাল ধৰি অভিজিত চলিহা বৃক্কৰ ৰোগত আক্ৰান্ত হৈ আছিল। ১৯৫৯ চনৰ ১১ নৱেম্বৰত জন্মগ্ৰহণ কৰা অভিজিত চলিহা একেধাৰে এগৰাকী সফল উদ্যোগপতি হোৱাৰ লগতে তেওঁ সুৰ সংগীত শিল্প আৰু ক্ৰীড়াৰ সৈতেও জড়িত হৈ আছিল। শিৱসাগৰ ফুকন নগৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ আৰম্ভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ শ্বিলঙৰ ছেইণ্ট এন্থনী কলেজত পি ইউ অধ্যয়ন কৰিছিল। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ পৰা ১৯৮৩ চনত স্নাতক ডিগ্ৰী লাভ কৰা অভিজিত চলিহাই খুড়াক সত্যব্ৰত চলিহা আৰু ভাতৃ ৰঞ্জন চলিহাৰ সৈতে একত্ৰে স্বাধীন ব্যৱসায়ত মনোনিৱেশ কৰিছিল। পৰিয়ালৰ সূত্ৰে উজনি অসমৰ চাহ বাগিছা উদ্যোগৰ স্বত্বাধিকাৰী হোৱাৰ উপৰিও তেওঁলোকে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি নাট 'ৰূপালীম'ৰ নামেৰেই তেওঁলোকে শিৱসাগৰ নগৰৰ পৰিবহণ নিগম বাছ আস্থানৰ সমীপত এটি চিত্ৰগৃহ আৰম্ভ কৰিছিল। ছাত্ৰ জীৱনত শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সম্পাদকৰূপে সেৱা আগবঢ়োৱা অভিজিত চলিহা অসম আন্দোলনৰ শীৰ্ষ নেতা, সিংহ পুৰুষ প্ৰণৱজিৎ চলিহা (ৰমুদা), ভৃগু কুমাৰ ফুকন আদিৰ সৈতে ঘনিষ্ঠভাৱে দেশৰ সেৱাত নিয়োজিত আছিল। সেউজ কোঁৱৰ, সাহিত্যিক, জাতীয়তাবাদী নেতা, শিল্পী প্ৰাক্তন সাংসদ প্ৰয়াত পৰাগধৰ চলিহাৰ ৪০০০ বছৰৰ অসমত অভিনয় কৰাৰ উপৰিও অভিজিত চলিহাই সুন্দৰভাৱে মাউথ অৰ্গেন, তবলা, গীতাৰ, বাঁহী আদি বাদ্য বজাইছিল। সংগীত প্ৰিয় অভিজিত চলিহা ওৰফে পৰশ চলিহা এগৰাকী সুদক্ষ ক্ৰীড়াবিদ আছিল। তেওঁ ল'ন টেনিছ, টেবুল টেনিছ খেলুৱৈ হিচাপে সুখ্যাতি লাভ কৰিছিল। অসম ৰাজ্যিক দলৰ হৈ তেওঁ টেবুল টেনিছ খেলিছিল। মহাভাৰতৰ খ্যাতিসম্পন্ন শিল্পী, সৰোদ বাদক, পদ্মশ্ৰী ওস্তাদ আমজাদ আলী খানৰ পত্নীৰ পৰিয়ালৰ ভতিজা আত্মীয় অভিজিত চলিহাই ওস্তাদ খানৰ সৈতে মাজে মাজে তবলা সংগত কৰিছিল। বৰ অসমৰ প্ৰথমগৰাকী ডক্টৰেট ডিগ্ৰী প্ৰাপক, স্বাধীনতা সংগ্ৰামী প্ৰয়াত ময়িদুল ইছলাম বড়াৰ সৈতে শিৱসাগৰৰ ঐতিহাসিক চলিহা পৰিয়ালৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। সেই সূত্ৰে অভিজিত চলিহাই ড° ময়িদুল ইছলাম বড়াৰ নাতি তথা জাতীয়তাবাদী নেতা এম আই বড়াৰ সৈতে একেলগে বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। বিশিষ্ট সমাজকৰ্মী, উদ্যোগপতি চলিহাই মৃত্যুৰ সময়ত মাক হেমলতা চলিহা (৯৫)ৰ লগতে পত্নী, এজন পুত্ৰ, বোৱাৰী, নাতিৰ লগতে বৃহৎ সংখ্যক আত্মীয়ক ইহ সংসাৰত এৰি গৈছে। শিৱসাগৰৰ সমাজ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত বিশিষ্ট উদ্যোগপতি আৰু শিল্পী অভিজিত চলিহাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শিৱসাগৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি তেওঁৰ বাসভৱনত উপস্থিত হয়গৈ। শিৱসাগৰ নাট্য সমাজৰ হৈ সভানেত্ৰী, বিশিষ্ট শিক্ষাবিদ দিপালী চলিহা, সমাজকৰ্মী সৌৰভ চলিহা, আত্মীয় বৌয়েক তথা প্ৰয়াত প্ৰণৱজিৎ চলিহাৰ পত্নী ৰাকা চলিহা, যুৱনেতা শৃংখল চলিহা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত, বাণিজ্য মহাবিদ্যালয়ৰ সতীৰ্থ-৮৩ গোটৰ হৈ অধিবক্তা শ্বেইখ ছামছেৰ, বিপুল চিলাওজা, অনিল বৰুৱা, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সভাপতি, সাংবাদিক মণিৰুল ইছলাম বড়া, প্ৰয়াত ড° ময়িদুল ইছলাম বড়াৰ স্মৃতিৰক্ষা সমিতিৰ প্ৰতিনিধি, উত্তৰ-পূব উদ্যোগী নাৰী সন্থাৰ সভানেত্ৰী প্ৰণতি বৰগোহাঁই, শিক্ষয়িত্ৰী ববী দুৱৰাকে ধৰি বিভিন্ন লোকে মৃতকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিশিষ্ট উদ্যোগপতি, শিল্পী অভিজিত চলিহাৰ মৃত্যুত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষাবিদ ড° সব্যসাচী মহন্ত, বীৰাংগনা সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়া, সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতিৰ সভাপতি ক্ষীৰোদ কুমাৰ বৰদলৈ, বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ বৰঠাকুৰ, ড° উৎপল দত্ত, শিৱসাগৰ জিলা সাংবাদিক সন্থা, শিৱসাগৰ জিলা যুৱ সাংবাদিক সন্থাৰ সভাপতি বিকাশ কুমাৰ, সমন্বয় সাংস্কৃতিক গোষ্ঠী, অসম নাট্য সন্মিলন-শিৱসাগৰ শাখা, শিৱসাগৰ ই-মিডিয়া সন্থা, শিৱসাগৰ যুৱদল, হিন্দু ধৰ্ম্মসভা নামঘৰ পৰিচালনা সমিতি, শিৱসাগৰ জিলা ছাত্ৰ সন্থা, শিৱসাগৰ সন্মিলিত ব্যৱসায়ী সন্থা, শিৱসাগৰ বিশ্ববিদ্যালয়, শিৱসাগৰ ক্ৰীড়া সন্থা, সেউজীয়া সমাজ সংগীত মহাবিদ্যালয়, শিৱসাগৰ ল'ন টেনিছ এচ'ছিয়েশ্যন, শিৱসাগৰ টেবুল টেনিছ সন্থা, শিৱসাগৰ চাহ বাগিছা উদ্যোগ পৰিষদ, শিৱসাগৰ চেম্বাৰছ অৱ কমাৰ্চকে ধৰি একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰয়াত অভিজিত চলিহাৰ পুত্ৰ বোৱাৰী কৰ্ম সূত্ৰে কৰ্ণাটকত বসবাস কৰাৰ হেতুকে তেওঁলোকৰ শিৱসাগৰৰ ঘৰত পদাৰ্পনৰ পিছতহে পিতৃ অভিজিত চলিহাৰ বৈদিক শেষকৃত্য দেওবাৰে শিৱসাগৰ নগৰৰ থানামুখ শান্তিবন শ্মশানত সম্পন্ন কৰা হ'ব বুলি পৰিয়ালবৰ্গৰ পৰা জানিব পৰা গৈছে।

# অসমীয়া সংস্কৃতিৰ পথাৰত বাঁহ

■ ফুকন কৈৱৰ্ত
ৰামপুৰ, কামৰূপ, অসম।

অসমীয়া সংস্কৃতি তথা জনজীৱনৰ বিশাল ক্ষেত্ৰখনত কিছুমান সামগ্ৰীয়ে বিশেষভাৱে ভূমিকা পালন কৰি আহিছে। অসমীয়া লোককৃষ্টিসমূহৰ ঐতিহ্য-পৰম্পৰাই সমাজজীৱনৰ প্ৰতিটো ক্ষেত্ৰতে জাতীয় চেতনাৰ স্ৰোত বোৱাবলৈ অহৰহ জীৱন ছবি আঁকে। পৰিবৰ্ধমান সমাজজীৱনৰ উৰ্ধমুখী যাত্ৰাক দূৰ দিগন্তলৈ প্ৰৱাহিত কৰিবলৈ অসমৰ সভ্যতাৰ পথাৰখনত বহু সামগ্ৰীৰ পয়োভৰ আজিকোপতি চলি অহা দেখা যায়। তেনে সামগ্ৰীসমূহৰ ভিতৰত নিজস্ব গুণ গৰিমাৰে সংস্কৃতিৰ বিজয়ধ্বজা উৰুৱাবলৈ সমৰ্থ হোৱা এবিধ উল্লেখযোগ্য সামগ্ৰী হ'ল বাঁহ। বাঁহ সাধাৰণতে পৈণত অৱস্থাত সেউজীয়া বৰণৰ হয়। ইয়াৰ কাণ্ড, ডাল পাত নাই বুলিবই পাৰি। আমাৰ অসমত এবিধ হালধীয়া বৰণৰো বাঁহ পোৱা যায়। তৃণজাতীয় উদ্ভিদৰ ভিতৰত সৰ্ববৃহৎ ওখ বাঁহ গছে বা বাঁহে জনজীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ৰঞ্জিত হৈ থকাৰ সমান্তৰালভাৱে জাতীয় জীৱনৰ অটুট বান্ধোন মজবুত কৰি ৰাখিবলৈ সমৰ্থ হৈছে।

অসমীয়া লোকসাহিত্যৰ ভিন্নৰঙী অৱদানবোৰৰ আঁহে আঁহে এই বাঁহে নিজৰ স্বকীয়তা সুৰক্ষিত কৰাৰ দৃষ্টান্ত পোৱা যায়। বাঁহগছ প্ৰকাৰভেদে ভিন ভিন প্ৰজাতিৰ আছে। আমাৰ অসমত পোৱা বাঁহগছবোৰৰ ভিতৰত জাতি, ভলুকা, বিজুলী, কোটোহা, দলে আদিৰ নাম উল্লেখযোগ্য। বাঁহগছ বনাঞ্চলৰ উপৰি ঘৰুৱা অঞ্চলতো ৰোৱাৰ নিদৰ্শন পোৱা যায় এনেদৰে-

'যাৰ নাই বাঁহ
তাৰ নাই সাহ।'

লোককৃষ্টিসমূহৰ প্ৰতিটো ক্ষেত্ৰত শিপাৰ সৈতে সংপৃক্ত হোৱাৰ দৰে বঙলা ফকৰা এটিত বাঁহৰ প্ৰভাৱ পৰা দেখা যায় এনেদৰে-

'ফাগুনে আগুন
চৈতে মাটি
তেহে হয় ভাল জাতি।'

জনজীৱনৰ খাদ্যসম্ভাৰতো বাঁহগছৰ গুৰুত্ব মন কৰিবলগীয়া।দৈনন্দিন জীৱনৰ কৰ্মব্যস্ততাৰ সমান্তৰালভাৱে মানুহে ৰুচিসন্মত খাদ্য সম্ভাৰৰ প্ৰতি দৃষ্টি ৰাখে। জীৱন যাপনৰ লগতে শৰীৰ পৰিপুষ্ট ৰাখিবলৈ সুস্বাদু খাদ্যৰ দিহাত নিমগ্ন হৈ পৰে মানুহ। সেই অনুসৰি বাঁহগছৰপৰা পোৱা বাঁহগাজৰ খৰিচাৰ পয়োপৰ যে অসমীয়া খাদ্য পৰম্পৰাত অন্তৰ্ভুক্ত হৈছে তাৰ নিদৰ্শন পোৱা যায় এনেদৰে-

'তোমাৰ বাৰীৰ বাঁহগাজ
তাকে আনি কৰিছো খৰিচা,
তোমাতে সলাই ধান ডোনো লৈছো
কথাতো মন কৰিছা।'

অসমীয়া সমাজৰ গতিশীল জীৱনত বাঁহৰ প্ৰভাৱ অতীজৰেপৰা প্ৰভাৱিত হৈ আহিছে। অসমৰ লোককৃষ্টি-সাধুকথা, লোকনৃত্য, লোকগীত, লোকশিল্প, সাঁথৰ-পটন্তৰ, প্ৰবচন, ফঁকৰা যোজনা আদি সকলোতে বাঁহগছে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হোৱা বুলি আমি ভাবিব পাৰো। দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য কাম-বনবোৰত যে বাঁহগছৰ প্ৰভাৱ প্ৰগতিশীল তাৰ দৃষ্টান্ত উপলব্ধি কৰিব পাৰি এনেদৰে-

'বাৰীৰে চুকৰে জাতিবাঁহ এজুপি
সিও মোৰ সহোদৰ ভাই
জীয়াই থাকো মানে কৰো কাঠি-কামি
মৰিলেও লগতে যায়।'

সমাজ ব্যৱস্থাৰ শ্বাস্বত ঘটনাপ্ৰবাহৰ দৃষ্টিকোণসমূহতো বাঁহৰ প্ৰভাৱ বিৰাজমান। মৃতকৰ সৎকাৰৰ সময়তো যে বাঁহৰ গুৰুত্ব অপৰিসীম সেই কথা তলত দিয়া বনগীতফাঁকিত পৰিস্ফুট হৈছে এনেদৰে-

'মই মৰিম যিদিনা ঐ
একেডাল বাঁহকে তিনিছেও কৰিব ঐ
মাজৰ ছেও কচালিৰ কামি,
চাৰিজন মানুহে কান্ধত তুলি নিব
নৈৰ ঘাটলৈ বুলি।'

অতীজৰ সমাজ ব্যৱস্থাতেই যে বাঁহক কেন্দ্ৰ কৰি জীৱনৰ ৰেহ-ৰূপ প্ৰতিষ্ঠা হৈছে এনে নহয়, আধুনিক সমাজৰ ত্বৰান্বিত গতিধাৰাৰে বোৱতী সুঁতিৰ দৰে আধুনিক সংগীতৰ গৰ্ভ দখল কৰিবলৈ সমৰ্থ হৈছে বাঁহ নামৰ এইবিধ তৃণজাতীয় উদ্ভিদে। তলত উল্লেখ কৰা গীতফাঁকিৰপৰাই আমি এই কথা বিশ্বাসেৰে মানি ল'ব পাৰো-

'আগলি বাঁহৰে গগনা বজায়
মাতে লাহৰী লাহৰী কৈ
দেখিবৰেপৰা তোমাকে চাওঁ
চকু নাযায় আন কালৈ।'
(জোনাকী মন)

বিহুৰ বিনন্দীয়া সমাৰেশতো বাঁহগছৰ প্ৰভাৱ আমি কোনোপধ্যেই নুই কৰিব নোৱাৰো। বিহুৰ প্ৰাকৃতিক বাতাবৰণত গীত-মাতৰ পৰিপূৰকভাৱে সোমাই আছে বাঁহগছৰপৰা নিৰ্মিত বহু সামগ্ৰীৰ হেঙুলীয়া আভা। বিহুগীতৰ তালতেই তাল মিলোৱা এনেধৰণৰ গীত এটি আমি উপস্থাপন কৰিব পাৰো এনেদৰে-

'নাওঁ হেঙুলীয়া, বঠা হেঙুলীয়া
আৰু হেঙুলীয়া চৈ,
চেনাইৰ মূৰত জাপি হেঙুলীয়া
বিজুলী বাঁহৰে দৈ।'

শিশুগীতৰ তালে তালেও যেন বাঁহৰ প্ৰভাৱ নিহিত হৈ আছে। শিশুক আনন্দ দান কৰিবলৈ বা নিচুকাবলৈ সৃষ্টি হোৱা গীত মাততো যে বাঁহগছৰ প্ৰাদুৰ্ভাৱ ঘটিছে তাৰ নিদৰ্শন পোৱা যায় এনেদৰে-

'বাঁহৰ মূঢ়া বগৰীৰ গুৰা
এটা যে আছিল বুঢ়া,
সৰু ল'ৰাবোৰে মাতে জোৰে জোৰে
ক'লৈ যোৱা টলৌ খুৰা।'

বাঁহগছক লৈ অসমীয়া সমাজত এতিয়াও বহু নীতি নিয়ম প্ৰচলিত হৈ আহিছে। উদাহৰণস্বৰূপে শনিবাৰ আৰু মঙ্গলবাৰে বাঁহ কটাতো নিষিদ্ধ। এই দুটি দিনত বাঁহ কাটিলে অপায় অমঙ্গল হয় মানুহৰ দৃঢ় বিশ্বাস আজিকোপতি চলি আহিছে। অৱশ্যে কোনো কোনো অঞ্চলত সোম আৰু শুকুৰবাৰেহে বাঁহ কাটিব নাপায় বুলি শুনা যায়। বাঁহ কটাৰ নিষিদ্ধতাৰ উদাহৰণস্বৰূপে বিহুগীত এফাঁকি তুলি দিয়া হ'ল-

'শনিবাৰে মঙ্গলবাৰে মোৰ পিতায়ে বাঁহ কাটিব
নিদিয়ে।'

দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে যে বাঁহৰ আধিপত্য বিৰাজমান হৈ আহিছে এই কথা সদায়েই প্ৰতীত হৈ আহিছে। মানুহে ঘৰ-দুৱাৰ সাজিবলৈ, বেৰ, জেওৰা-জপনা দিবলৈ; ধোৱাচাও আদি সাজিবলৈ আজিকোপতি বাঁহৰ ব্যৱহাৰ কৰি অহা দেখা যায়। শিপিনীসকলৰ বয়ন শিল্পৰ লগত প্ৰয়োজনীয় উঘা, ৰাহা, চেৰেকী, ব'



তোলা চুৰা, নাচনী আদি প্ৰস্তুতৰ বাবেও বাঁহৰ ব্যৱহাৰ অপৰিহাৰ্য। আনকি পাকঘৰত ব্যৱহৃত চুই ফুওৱা চুৰাটোও প্ৰকৃতাৰ্থত বাঁহহে। তদুপৰি মাছ মাৰিবলৈ ব্যৱহাৰ কৰা সঁজুলি যেনে পল', জুলুকি, জাকৈ, খালৈ, বানা আদিও বাঁহেৰেই প্ৰস্তুত কৰাটো আমি দেখি আহিছো। বাঢ়ৈসকলে তেওঁলোকৰ শিল্পপ্ৰতিভাৰে উজ্জীৱিত হৈ সজাই তোলা ডলা, চালনী, কুলা আদি প্ৰস্তুতকৰণত ক'তোৰে যেন বাঁহগছে আঁতৰি অহা নাই। ইয়াৰোপৰি মূঢ়া, চকী, হুলাবাৰী, আলনা, টেবুল এনেধৰণৰ সামগ্ৰীসমূহৰ প্ৰস্তুতকৰণতো বাঁহেই অতুলনীয়ভাৱে দিক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি ক'ব পৰা যায়।

লোকবিশ্বাস অনুসৰি অসমৰ বিভিন্ন প্ৰান্তত উৎসৱ অনুষ্ঠানসমূহত বাঁহৰ প্ৰভাৱ মন কৰিবলগীয়া। কামৰূপৰ ভঠেলি উৎসৱ, বাস্কা-তামোলপুৰ আদি অঞ্চলৰ বাম্বোলপিতা উৎসৱ, দধিমন্থন বা সুঁৱৰি উৎসৱ আদিত বাঁহৰ আছে এক এৰাব নোৱাৰা সম্পৰ্ক। এইখিনিতে উল্লেখ কৰিব পাৰি যে পূজাৰ মূৰ্ত্তি সজাওতেও বাঁহৰ ব্যৱহাৰ অৱশ্যম্ভাৱী বুলি আমি ক'ব পাৰো।

বাঁহগছৰ বা বাঁহৰ ব্যৱহাৰ কিমান প্ৰাচীন এই কথা সঠিককৈ জনা নাযায় যদিও জগতৰ পতিৰূপে স্বীকৃত ভগৱান শ্ৰীকৃষ্ণওই বাঁহেৰে নিৰ্মিত বাঁহীৰ সপ্তসুৰেৰে উদ্বাৱল কৰি তুলিছিল ব্ৰজৰ ব্ৰজাঙ্গনাক। আলোড়িত কৰি তুলিছিল গকুল বৃন্দাবনৰ ছন্দময় কোলাহল। কৃষ্ণ প্ৰেমত মত্ত হৈ ব্ৰজাঙ্গনা গোপীসকলে আকুল আগ্ৰহেৰে বাট চাই ৰৈছিল কৃষ্ণৰ অমিয়া বংশীধ্বনিলৈ। বাঁহেৰে নিৰ্মিত বংশীৰ সুৰত সেউজীয়া সুৱাসেৰে সুগন্ধিত হৈছিল গকুল বৃন্দাবনৰ গছ-লতা, তৰু-তৃণ।

বাঁহৰ প্ৰভাৱ সকলোতে সিচঁৰতি হৈ থকাৰ উপৰিও বাঁহ শিল্পক কেন্দ্ৰ কৰি অসমত বহুতো কুটীৰ উদ্যোগ গঢ় লৈ উঠা দেখা যায়। কাগজ কল, ধূপকাঠি, তৰ্জা আদি উদ্যোগে বাঁহশিল্পৰ উদ্যোগটোক উৰ্ধমুখী যাত্ৰালৈ ধাৱিত কৰিবলৈ সক্ষম হোৱা দেখা যায়। তদুপৰি অসমৰ পৰ্যটন উদ্যোগটিতো বাঁহৰ প্ৰভাৱ প্ৰথম শ্ৰেণীৰ তালিকাতেই পৰে বুলি ক'ব পৰা যায়। অসমৰ নলবাৰী জিলাৰ দধি পাঠকে বাঁহেৰে নিৰ্মিত চাইকেল, চোলা, মটৰগাড়ী, বাছগাড়ী আদি সাজি উলিয়াই বিভিন্ন দেশত প্ৰদৰ্শনৰ যোগেদি বাঁহশিল্পক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাত এশ শতাংশই সফল হৈছিল বুলি আমি ক'ব পাৰো। বিহু সংস্কৃতিৰ সৈতে সংপৃক্ত ৰামধন গগনা, লাহৰী, গগনা, ঢোলৰ মাৰি, টকা সকলোতে বাঁহেই নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ সক্ষম হৈছে বুলি আমি বিশ্বাস কৰো।

অসমীয়া সংস্কৃতিৰ বিজয়ধ্বজা উৰুৱাবলৈ সমৰ্থ হোৱা চেনেহৰ বাঁহ শিল্পটি যি ধৰণে আগবাঢ়ি যাব লাগিছিল, সেইধৰণে হয়তো আজিও আগবাঢ়ি যাব পৰা নাই। ইয়াৰ কাৰণ হয়তো প্লাষ্টিকৰ সামগ্ৰীৰ বহুল প্ৰচলনো হ'ব পাৰে। তৃণজাতীয় উদ্ভিদৰ ভিতৰত সৰ্ববৃহৎ ওখ এই শিল্পবিধৰ ব্যৱহাৰ, প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত সাহিত্য, সংস্কৃতি, বিজ্ঞান সকলোতে ঢুকি পোৱাকৈ আমি প্ৰক্ষেপ কৰিব লাগিব। জাতীয় চেতনাৰ সন্মোহিনী শক্তিৰে যুগজয়ী কৃষ্টি তথা শিল্পৰ প্ৰৱাহিত ঢৌক জনমানসত নিক্ষেপ কৰাৰ আদব-কায়দাৰে আমি জীয়াই ৰাখিব লাগিব এনে বহু শিল্পসূঁতি।

**ম'বাইল ঃ** ৯৬১৩৪-৯১৪৮৯

# ৰাজগড় কছাৰী যুৱ সংঘৰ সৌজন্যত পঞ্চম বাৰ্ষিক ৰঙালী বিহু সন্মিলন



**বুলমণি বৰি লখিমপুৰ ঃ** অসমৰ জনজীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত এটি কৃষিভিত্তিক জাতীয় উৎসৱ বিহু। অসমৰ কৃষি সভ্যতাৰ আদি স্তৰ আৰু কৰ্মময় জীৱনৰ নিৰলস যাত্ৰাৰ কৃষ্টিৰূপী প্ৰকাশ নিসৃত হৈ আছে ব'হাগ বিহুৰ মাজত। বিহুৰ ঐতিহ্যত অসমীয়াই নিজৰ সত্তাক বিচাৰি পায়। ব'হাগ বিহু উদ্‌যাপনৰ যোগেদি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত পাৰস্পৰিক যি সাংস্কৃতিক বিনিময় ঘটে সি আত্মীয়তা, সামাজিক ঐক্য সম্প্ৰীতি তথা জাতীয় সংস্কৃতি ৰক্ষা কৰাত বিপুল বৰঙণি যোগায়। বিহুৰ বুকুত একাত্ম হৈ সোমাই আছে অসমৰ বিভিন্ন জনগোষ্ঠীৰ বাবে বৰণীয়া সংস্কৃতি। এই সংস্কৃতিৰ ধাৰা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত লখিমপুৰ জিলাৰ ৰামপুৰ বগীবিল গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাজগড় কছাৰী যুৱ সংঘৰ সৌজন্যত ২ আৰু ৩ মে ২০২৫ তাৰিখে সভাপতি বিতুপণ সোনোৱাল সম্পাদক মানৱজ্যোতি সোণোৱাল কোষাধ্যক্ষ যোগান্ত সোণোৱাল আৰু কাৰ্যকৰী সভাপতি ত্ৰিদিপ সোণোৱালৰ নেতৃত্বত পঞ্চম বাৰ্ষিক ৰঙালী বিহু সন্মিলন অতি উলহ মালহেৰে উদ্‌যাপন কৰা হয়। প্ৰথম দিনা পুৱাৰ ভাগত এক উখল মাখল পৰিৱেশত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে বৃক্ষৰোপণৰ অন্তত ৰাজগড় কছাৰী লেচেৰী বিহু দলে মঞ্চ উদ্বোধন কৰাৰ লগে লগে টকা বিহু প্ৰতিযোগিতা আৰম্ভ হয়। টকা বিহুৰ পিচতে মৌ কুঁৱৰী প্ৰতিযোগিতাৰ উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক শংকৰ গঁড়ে। মৌ কুঁৱৰীৰ লগে লগে সৰু বিহুৱতী আৰু বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হয়। ঠিক সেইদৰে দ্বিতীয় দিনা পুৱাৰ ভাগত সামূহিক চাফাই খেল-ধেমালি প্ৰতিযোগিতাৰ লগতে বিয়লি কছাৰী, মিচিং, দেউৰী জনগোষ্ঠীয় লগতে ঝুমুৰ নৃত্য, নেপালী নৃত্য প্ৰদৰ্শন কৰা হয়। সন্ধিয়া বঁটা বিতৰণী অনুষ্ঠানত বৰ বিহুৱতীক প্ৰথম পুৰস্কাৰ ১০,০০০ টকা দ্বিতীয় পুৰস্কাৰ ৬০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ৪০০০ টকা ঠিক তেনেদৰে সৰু বিহুৱতী প্ৰথম পুৰস্কাৰ ৫০০০ টকা দ্বিতীয় পুৰস্কাৰ ৩,৫০০ টকা আৰু তৃতীয় পুৰস্কাৰ ২,৫০০, মৌ কুঁৱৰী প্ৰথম পুৰস্কাৰ ৪০০০ টকা দ্বিতীয় পুৰস্কাৰ ৩০০০ টকা আৰু তৃতীয় পুৰস্কাৰ ২০০০ টকা, আৰু টকা বিহু দলক প্ৰথম পুৰস্কাৰ ৫০০০ টকা দ্বিতীয় পুৰস্কাৰ ২০০০ টকা প্ৰদান কৰি উৎসাহিত কৰে। নিশা অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰিবলৈ বিভিন্ন প্ৰান্তৰ পৰা বহু লোকৰ সমাগম হয়। সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক ত্ৰিদিপ সোণোৱালে। ইয়াৰ পিছতে জনপ্ৰিয় কণ্ঠশিল্পী ৰাজনাহানে গীতৰ শৰাই আগবঢ়ায়। ৰাজনাহানে পৰিৱেশন কৰা সংগীতানুষ্ঠান দুপৰ নিশালৈকে বিহু প্ৰেমী ৰাইজে উপভোগ কৰে।

## আকস্মিক -

**জাগৃতি শইকীয়া**

(১)

অকালতে।
ৰ'দবোৰ ফঁহিয়াই ফঁহিয়াই
গৰুবাটৰ চেঁচুকীয়া কেঁকুৰিটোত
বহি আছে -
এটা ছাঁ।
মৰ্মান্তিক
সম্প্ৰতি আক্ৰান্ত।

(২)

দুটা শিল
ঘৰ্ষণ
পোহৰ -
জুই।
জুইৰো বিজ্ঞাপন আছে।
পোহৰৰ মৰিশালিত ই হেনো এন্ধাৰ খেদে।

(৩)

ক্ৰমশঃ
(বেলিডুবা দুপৰীয়াৰ শেষত)

ৰাতি এটাৰ ভিতৰভাগ খান্দি আছোঁ।
গেলি যোৱা হৃদপিণ্ডটোৰ বাওঁফালে বখলিয়াই চাওঁ -
চ'ত।
ভৰিৰ পানীয়ে খোৱা আঙুলি দুটাৰ ফাঁকত
এটুকুৰা শুকান ছালৰ ভগ্নাৱশেষ।
স্পৰ্শাতীত।

## অতি জনপ্ৰিয়তা

**■ হেৰম্ব নাথ**

অতি জনপ্ৰিয়তা বেয়া
যিয়ে শৰীৰত থাকিবলগীয়া ড'পামাইন হৰম'নৰ
ভাৰসাম্যতাৰ বিচ্যুতি ঘটায়
জনপ্ৰিয়তা অৰ্জন কৰিবলৈ যিদৰে লাগে অৰ্হতা
ঠিক সেইদৰে
জনপ্ৰিয়তাক ধৰি ৰাখিবলৈ লাগে কলা
সেয়াই হ'ল মানুহৰ অন্তৰ্নিহিত সাধনা।
জনপ্ৰিয়তা অৰ্জনৰ চুটি পথ নাই
যাক আৰ্জিবলৈ লাগে একাগ্ৰতা
মহা মহা মণীষীয়েই চূড়ান্ত উদাহৰণ
যিসকলে ঢাক-ঢোল বজোৱা নাছিল
কোনো অহংকাৰ নাছিল
নিজৰ গুণ-গৰিমাক লৈ
আঁতৰি আছিল আত্মপ্ৰচাৰৰ পৰা
নাছিল বঁটা-বাহন-সম্বৰ্ধনাৰ প্ৰতি লালসা
ৰাইজৰ হাতচাপৰি বিচাৰি উদগ্ৰীৱ হোৱা নাছিল
বৰ বৰ ভাষণ প্ৰদানৰ প্ৰতি নাছিল বিন্দুমাত্ৰ স্পৃহা
নিজানত নীৰৱে নিজৰ কলা-সাধনাত ৰত আছিল
কলা-কৰ্ম-সাধনা-সংস্কৃতিৰ জৰিয়তে
নিজক জীয়াই ৰাখিব বিচৰাটোৱেই আছিল
জীৱনৰ লক্ষ্য-উদ্দেশ্য
চিৰ শাশ্বত বিনন্দীয়া ৰূপত
জীৱনক উদ্ভাসিত কৰাটোৱেই আছিল
প্ৰাজ্ঞ পুৰুষৰ স্বতঃস্ফূৰ্ত প্ৰসিদ্ধি-বাসনা
আমি বাৰু উদ্বুদ্ধ নহওঁ কিয়
তেৰাসৱৰ মণীষাত

য'ত জিজ্ঞাস
তাতেই যদি হওঁ জিজ্ঞাসু
জীৱনে পাব সঁচাকৈয়ে অনন্য মাত্ৰা
পিন্ধিব বিজয়ৰ মালা
মিছাতে দৌৰোঁ কিয় জনপ্ৰিয়তা বুলি

জীৱন গঢ়োঁ আহক-
পাখিলগা সময়ৰ সৎ ব্যৱহাৰ কৰি
অ' মোৰ প্ৰিয় মানুহ।
সময়ক ভাল পালেই
জীৱনক গঢ় দিব পাৰি
অনিন্দ্য সুন্দৰ ৰূপত।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

## এখন ঘৰ পুনঃ পুৰণি হ'ল

**দীপশিখা বৰা**
কাৰ্বি-আংলং

এখন ঘৰ বহু পুৰণি হ'ল।
তাত থকা পৰিয়ালটো
আজি নাইকীয়া হ'ল।
কাৰোবাৰ বয়স হ'ল,
কাৰোবাৰ বেমাৰ হ'ল,
আৰু কাৰোবাৰ দুৰ্ঘটনাত মৃত্যু হ'ল।
পু-নাতি-জী-নাতিবোৰো
চাকৰি বা আন কাৰণত ঠাই সলালে।

তেওঁলোকেও পাহৰি গ'ল
সেই ঘৰখন।
তাত থকা জীৱ-জন্তুবোৰো
নাইকীয়া হ'ল।
আশাৰ হেপাঁহৰ ঘৰখন
ধন-দৌলত, সা-সম্পত্তি
আন কাৰোবাৰ অধীন হ'ল।

আপোন-পৰ মানুহবোৰ
চিন-চাব নোহোৱা হ'ল।
তাহানিৰ আপোন গাঁওখনো
আজি ন-ৰূপ ল'লে।
মানুহবোৰও সলনি হ'ল।
কিন্তু পুৰণি ঘৰখনৰ মানুহবোৰ লোভ,
মোহ, অহংকাৰ, গৌৰৱ
আৰু সৰ্বশৰীৰ এৰি
মাটিৰ লগত মিলি গ'ল।

ঘৰখন হাবি বন গজিল।
লতাবোৰেও মেৰিয়াই ধৰিলে।
প্ৰকৃতিয়ে সকলোবোৰ ঢাকি পেলালে।
পুনৰ একেই নিয়মত
দিন গ'ল ৰাতি হ'ল।
নতুন পুৰাৰে আৰম্ভ হ'ল জীৱন।
পুনঃ এখন ঘৰ পুৰণি হ'ল।

**ম'বাইল ঃ** ৮০১১৭-১২৩৮৩

## নিৰামিষ

**পাপু মজুমদাৰ**
নগাঁও, অসম

মোৰ কবিতাৰ সৈতে
শিৰোনামৰ মিল
নাথাকিবও পাৰে।
মই বৰ সাধাৰণ
আপোনাৰ চকুত....
প্ৰতিদিনে সলনি হৈছে জীৱন।
মই এটা বাক্যত - অভাৱী,
মোৰ চকুত সাগৰ
মই নিবিচাৰো....
মই জানো
মোৰ হৃদয়খন
সেই তেতিয়াৰে পৰাই
মৰুভূমি।
মোৰ কোঠালিৰ
চৌপাশত
হয়তো
'মই'
'মই'
গোন্ধ আছে
কিন্তু
ব্যস্ততাৰ
আঁৰত
মই যেন
অতীতৰ সেই 'মই'
নহয়।
তেন্তে মইনো কি?
মই হয়তো এটি
সহজ নিয়ম,
যাক
চবেই
উলঙ্ঘন কৰিবলৈ চেষ্টা কৰে।

**ম'বাইল ঃ** ৯৮৬৪২-০১৭৭৯

## হয়তো হ'ব পাৰে

**নয়ন মণি মিশ্ৰ**
নগাঁও, অসম

সময়ৰ
মৃত্যুত
ধোঁৱাৰ চহৰে
হয়তো
উন্মাদ কেনভাঁচত
মুহূৰ্তৰ জলছবি
আঁকিছিল।
মই কলেমেৰে চুব নোৱাৰাখিনিক লৈ
তেওঁ লিখিছিল-
'মই ভবাই নাছিলো
বিজয়ী হ'ম বুলি।'
তেওঁ হয়তো আজি বিখ্যাত
মই তেওঁৰ বিষয়ে
পঢ়ি থাকোঁ।
বৰষুণে তেতিয়া-
মনলৈ ৰং সানিছিল,
আজি
বৰষুণৰ সংজ্ঞা-
মোৰ বাবে যেন
কেৱল
অবুজন
আৰ্তনাদ।
কাহানিবা দুখবোৰক
উদ্‌যাপন কৰিও
ভাল লাগে।
এয়া হয়তো হ'ব পাৰে মোৰ
পৰৱৰ্তী অনুভূতি....।

**ম'বাইল ঃ** ৮৪০৩৮-৪১৬১৭

## জীৱনৰ ডায়েৰী

**দেৱজিত**

নীলা চিয়াঁহীৰে অশ্ৰু নিগৰে
জীৱনৰ পৃষ্ঠাবোৰ ভৰি পৰে,
স্মৃতিৰ বাৰিষাৰ আবেলি
কোনে কৰিব যৌৱনৰ ধেমালি।
থমকি ৰয় কেতিয়াবা কলমৰ গতি
হাবাথুৰি খায় শব্দ বিচাৰি,
পুৰণি আধৰুৱা সপোন সুঁৱৰি
ভাৱনাৰ আলিংগনত পথ পাহৰি।
ভাঁহি আহে উতলি উতলি
নিগৰি ওলাই তেজাল অশ্ৰুধাৰী,
সাক্ষী হৈ ৰৈ যায় মাথোঁ
কলিজাত তোমাৰ প্ৰেমৰ আঁচোৰখিনি।

## মৌনতা

**বাহাৰুল ইছলাম**
বালিজান, মৰিগাঁও

মৌনতাৰো আছে নিজা অস্তিত্ব
আছে আৱৰণহীন দেহা
কঁপা কঁপা ওঁঠৰ ভাঁজে ভাঁজে
শুই থাকে কিছু তিতা, মিঠা, কেহাৰ
আটক ধুনীয়া তহবিল।
মৌনতাৰো থাকিব পাৰে হৃদয়
থাকিব পাৰে তনু-মন
শুকাই-ক্ষীণাই যাব পাৰে তাৰ ৰং
ঠিক সৰাপাতৰ দৰেই
হয়তো একেখন আলয়তে থাকে সিহঁত দুয়ো
কিজানি ভাষাৰ মাধুৰ্য হেৰুৱাই
নীৰৱতাৰ সাগৰত হাবুডুবু কৰিছে।
মৌনতাৰো থাকিব পাৰে এক অনন্য স্বকীয়তা
জীৱন-যৌৱনৰ কিছু সঞ্চিত সম্পদ
যাৰ ওমত অংকুৰিত হয় বীজ
লালিত-পালিত হয় আপোনা-আপুনি
বহন কৰে এক দীঘলীয়া সময়ৰ ইতিহাস
জড়তা গুচি এদিন শান্ত হ'ব
ভ্ৰান্ত ধাৰণাৰ উপশম ঘটিব।
এই মৌনতাৰো থাকিব পাৰে ভাষা
অগ্নিগৰ্ভত বিপ্লৱ কৰি থকা
কাল-ধুমুহাৰ অমানিশা বুকুত সাঁচি
ভাৱনাৰ মোহনাত পৰি ৰয়
অক্লান্ত সৈনিক ৰূপে।

## আকাশ

**স্মৃতি ৰেখা বৰা**

অ' আকাশ,
তই বাৰু বুজনে মোৰ মনত
চলি থকা অন্তঃদন্দৰ কথা।
বুজনে তই, উকা উকা লগা
হৃদয়ৰ গোপন অনুভূতিৰ অভিধা।
সকলোৱে কয়, দুখ লাগিলে আকাশলে
চাবি আৰু দেখিবি দুখবোৰ
পাতল হ'ব।
তই হেনো তোৰ বহল বুকুত
সামৰি ৰাখ দুখৰ দলিচাখন।
আনক আৱৰি ৰখা দি
মোকো তই ল'বি নে তোৰ
দুবাহুত সামৰি।
দিবি নে অকন ঠাই তোৰ
বিশাল বুকুৰ আছুতীয়া
চুক এটিত।
বৰ মন যায়,
সকলোৱে পৰা আতঁৰি,
তোতে বিলীন হ'বলৈ।
তোৰ মৰমতে ভ্ৰমি ফুৰিম
দূৰ দিগন্তৰ সীমনাত।
য'ত নাথাকিব কাৰো
ওজৰ আপত্তি, হকাবন্ধাৰে
ভৰপূৰ লোহাৰ শিকলি।
য'ত থাকিব মোৰ এক
নিজস্ব সত্বা।
নীলাভ গগণ ভৰি মেঘৰ
চৰত কৰিম আনন্দৰ লহমা।

## নিলাজ পৃথিৱী

**অনন্ত কুমাৰ ভূঞা**

নিলাজ পৃথিৱীত
বিষাক্ত হ'ল হৃদয়ৰ গান
ফেঁকুৰি উঠিল পৰ্যটনৰ চোতাল।
কলিজাৰ কেঁচা তেজ উটি গ'ল
শিলে শিলে ঠেকা খায়
নিজান নদীত
ক্ৰন্দনৰ ৰোল বাগৰিল
সেউজ বননি শোকত ভাগৰিল
হৃদয় বিদাৰক ভয়াৰ্ত ক্ষণৰ
আৰ্তনাদ আৰু কোলাহল
বিভৎস নাটৰ কুৎসিত দৃশ্য
সন্ত্ৰাসৰ উপহাৰ কলংকিত অধ্যায়।
বিহ্বল হিয়াৰ চিঞৰত
সময় অসহায় নিশ্চুপ নিস্তব্ধ
অলেখ আত্মাৰ স্তব্ধ হ'ল উশাহ।
কৰুণ বাটেৰে বহুজন গুচি গ'ল
বৰ্বৰতাৰ চেকা ৰৈ গ'ল নিথৰ শৰীৰত,
আজি জোনাকে কান্দিছে
বিহংগম ম্ৰিয়মাণ
বাকৰুদ্ধ অৰণ্য জগত
শ্বাসৰুদ্ধ পৰিৱেশ
আউলি বাউলি বতাহজাক
নিষ্ঠুৰ নিৰ্দ্দয় হাতেৰে ফুটাইছে গুলিৰ শব্দ
থানবান কৰিছে চৌখিন মন।
ছেদেলি-ভেদেলি হ'ল যাত্ৰা পথ
সন্ত্ৰাসে বোৱাই দিলে তেজৰ সুঁতি
মানুহ অমানুহ হ'ল
বৰ্বৰতাৰ ইতিহাসত লিখা থাকিল
সভ্য মানুহৰ কলংকিত অধ্যায়
সন্ত্ৰাস নিৰ্মূলৰ কঠোৰ উপায়।
*(২০২৫ বৰ্ষৰ ২২ এপ্ৰিল তাৰিখে কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণত নিহত হোৱা পৰ্যটকসকলৰ সন্মানৰ অৰ্থে লিখা কাব্যিক ধাৰা।)*

*প্ৰথম পৃষ্ঠাৰ পৰা*

## বিশ্বনাথ ঘাট ঃ অসমৰ গুপ্ত কাশীৰ এক মনোমোহক

এক আধ্যাত্মিক অনুভূতিৰ অনুভৱ কৰোৱায়।

এই অঞ্চলটো প্ৰকৃতিৰ অপূৰ্ব কৃপাত ভৰা। ব্ৰহ্মপুত্ৰৰ গভীৰ নীল জলধাৰা, কাষৰ বালিৰ সৰু-সৰু দ্বীপ, প্ৰকাণ্ড শিলবোৰ আৰু শীতৰ দিনত আহি থকা নানান জাতিৰ চৰাইৰ মেলাই ইয়াৰ সৌন্দৰ্য্য বহু গুণ বঢ়াই তোলে। বেলি পৰাৰ সময়ত নদীৰ পানীত পৰি থকা সূৰ্যৰ ৰঙীন আভাটোৱে আশ্চৰ্যজনক দৃশ্য সৃষ্টি কৰে। স্থানীয়সকলে নাৱৰ সহায়ত নদীৰ বুকুত ভ্ৰমণ কৰে, যিয়ে বিশ্বনাথ ঘাটৰ সৌন্দৰ্য্য উপভোগ কৰাৰ এক অপূৰ্ব সুযোগ দিয়ে।

ডিচেম্বৰ-জানুৱাৰী মাহত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটকৰ আগমণ ঘটে। বালিৰ বুকুত পিকনিক খায়। হাঁহি-আনন্দৰে ব্ৰহ্মপুত্ৰৰ বুকুৰ পানীৰ ঢেওক নচুৱাই যায়। বাৰিষা নদীৰ পানী বাঢ়ি আহিলে প্ৰায়বোৰ শিল ডুবি যায়, কিন্তু কিছুমান শিল আছে কেতিয়াও ডুব নাযায়।

স্থানীয় সংস্কৃতি আৰু পৰম্পৰা ইয়াৰ অন্যতম বৈশিষ্ট্য। এই ঠাইৰ ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্য বহু প্ৰাচীন। ইয়াত হোৱা লোকউৎসৱ, পুৱা-গধূলি মন্দিৰত হোৱা শঙ্খ আৰু ঘণ্টাধ্বনি আৰু স্থানীয় খাদ্য-সংস্কৃতিয়ে পৰ্যটকসকলক আকৰ্ষিত কৰে। বহুতে এই স্থানত আহি মানসিক শান্তি অনুভৱ কৰে আৰু ব্ৰহ্মপুত্ৰৰ পাৰতে অলপ সময় কটাই নিজকে নতুনকৈ অনুভৱ কৰে।

বিশ্বনাথ ঘাট কেৱল এখন পৰ্যটন স্থান নহয়, ই এক অনুভৱ, এটি আৱেগ, বিশ্বনাথ বাসীৰ বাবে গৌৰৱৰ সম্পদ। সৌন্দৰ্য্য, পৱিত্ৰতা আৰু প্ৰাকৃতিক শোভাই ইয়াক অসমৰ অন্যতম আকৰ্ষণীয় গন্তব্যস্থল হিচাপে গঢ়ি তুলিছে।

বিশ্বনাথ ঘাটৰ সন্মুখতে ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত অৱস্থিত উমাতুমনি দ্বীপ এটি অপূৰ্ব সৌন্দৰ্য্যপূৰ্ণ স্থান। বিশ্বাস অনুসৰি, এসময়ত ইয়াত বহুতো শিৱ মন্দিৰ আৰু ধৰ্মীয় প্ৰতিষ্ঠান আছিল। বৰ্তমান এই দ্বীপখনত সেই প্ৰাচীন মন্দিৰবোৰৰ অৱশেষ পোৱা যায়, যি ইয়াৰ ঐতিহাসিক গুৰুত্ব প্ৰমাণ কৰে। মন্দিৰবোৰৰ শিলৰ ভগ্নাৱশেষ আৰু বিভিন্ন শিৱলিঙ্গ এতিয়াও ইয়াৰ প্ৰত্নতাত্ত্বিক মূল্যৱান নিদৰ্শন হিচাপে ঠিয় হৈ আছে।

এই দ্বীপখন প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা। নদীৰ মাজত অৱস্থিত হোৱাত ই একান্তই শান্ত আৰু প্ৰশান্তিপূৰ্ণ স্থান। দ্বীপখনত শীতৰ দিনত বিভিন্ন শীতকালীন পৰিভ্ৰমণকাৰী চৰাই আহে, যিয়ে ইয়াৰ পৰিৱেশলৈ এক সজীৱতা যোগায়।

উমাতুমনি দ্বীপলৈ বিশ্বনাথ ঘাটৰ পৰা নাওযোগে যোৱা যায়। এই নাওভ্ৰমণ নিজেই এক অভূতপূৰ্ব অভিজ্ঞতা, কিয়নো নদীৰ বুকুৰে গৈ এই দ্বীপখনৰ সান্নিধ্য পাব পাৰি। প্ৰকৃতিৰ কোলাত অৱস্থিত এই দ্বীপত সময় কটোৱাটো এক অনন্য অনুভৱ, যি যিকোনো পৰ্যটক বা ধৰ্মপ্ৰাণ ব্যক্তিক আত্মিক শান্তি দিয়ে।

বিশ্বনাথ ঘাট, উমাতুমনি দ্বীপ আৰু ইয়াৰ সৈতে জড়িত প্ৰাচীন কাহিনীবোৰ মিলি এক অপূৰ্ব ঐতিহ্য গঠন কৰিছে। ই কেৱল পৰ্যটনৰ বাবে নহয়, বৰঞ্চ অসমীয়াৰ ধৰ্মীয় আৰু সাংস্কৃতিক ইতিহাসৰ এক মূল্যৱান অংশ।

**ম'বাইল ঃ** ৭০৯৯৩-৮৯৭৫৫

## জাগীৰোডত নিৰ্মীয়মান টাটা অৰ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্পস্থলীত

লগতে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰখনলৈ বৃহৎ বৰঙণি যোগাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। জাপানৰ হাউচ অব ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰো আৰু তেওঁৰ সৈতে অহা প্ৰতিনিধি দলটোৰ জাগীৰোডৰ এই প্ৰকল্পস্থলী ভ্ৰমণে অসমৰ ক্ৰমবৰ্দ্ধমান অৰ্ধপৰিবাহী উদ্যোগত নিশ্চিতভাৱে যি সহযোগিতা আগবঢ়াব ইয়ে অসমৰ উদ্যোগ ক্ষেত্ৰখনত এক নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই প্ৰকল্প হৈছে এক নতুন অসমৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিফলন। য'ত আজি সকলোতে সম্ভাৱনাৰ দুৱাৰ মুকলি হৈ পৰিছে। এই পৰিদৰ্শনৰ সময়ছোৱাত জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, উদ্যোগ আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা, টাটা অৰ্ধপৰিবাহী সমাবিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ প্ৰকল্প মুৰব্বী আশীষ মিশ্ৰ প্ৰমূখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত নামাকৰণৰ আহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসম-অৰুণাচল-নাগালেণ্ডকে ধৰি যোগাযোগৰ অন্যতম কেন্দ্ৰস্থল ডিব্ৰুগড়স্থ মোহনবাৰী বিমানঘাটি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত নামাকৰণৰ বাবে ৭-৫-২৫ তাৰিখে ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত) পৰিয়ালৰ তৰফৰ পৰা জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এক পত্ৰ প্ৰেৰণ কৰিছে। এগৰাকী গায়ক, সুৰকাৰ, চলচ্চিত্ৰ নিৰ্মাতা আৰু সামাজিক কৰ্মী, যিগৰাকীৰ কৰ্মই ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বক স্পৰ্শ কৰিছিল সেইগৰাকী মহান ব্যক্তিৰ নামত মোহনবাৰী বিমানঘাটি নামকৰণ কৰিবলৈ আহ্বান জনাইছে ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় পৰিয়ালে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত মোহনবাৰী বিমান বন্দৰ নাম নামাকৰণ কৰিলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত তেখেতে আগবঢ়াই যোৱা অমূল্য অৱদানক সন্মান জনোৱ হ'ব আৰু তেওঁৰ স্মৃতি চিৰযুগমীয়া হৈ ৰ'ব লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণা হৈ থাকিব। মোহনবাৰী বিমানঘাটিৰ নাম সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামেৰে নামাকৰণ কৰিলে ইয়াৰ গাম্ভীৰ্যতা বৃদ্ধি হোৱাৰ লগতে শিল্পীগৰাকীৰ অৱদানক সন্মান জনোৱা হ'ব। এই সম্পৰ্কত কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনকো অৱগত কৰিছে মহাবিদ্যালয় পৰিয়ালে।

# পাহাৰীয়া ক্ষুদ্ৰ গাঁও চাৰখোলত এদিন

■ **শৈলেন কুমাৰ,** মিৰ্জা

**অ**নুভৱ আৰু অনুভূতি অবিহনে আমি নিস্প্ৰাণ এটি শৰীৰ মাত্ৰ। অনুভৱ, অনুভূতিয়ে আমাক জীৱন জীয়াবলৈ উৎসাহ দিয়ে। অনুভৱ, অনুভূতি ভাল বেয়া সকলো থাকিব পাৰে, কিন্তু মই আজি এক বিশেষ অনুভৱ, অনুভূতিৰ কথা বিশ্লেষণ কৰিম। এই অনুভৱ পাহাৰৰ শীৰ্ষত মেঘ, ডাৱৰ আৰু কুঁৱলীৰ লুকাভাকুৰ। বহুদিনৰ পৰা মই আৰু মোৰ ঘৰৰ ওচৰৰ সন্টি শৰ্মা দাদা আমি দুয়োটাই এটা ভ্ৰমণৰ যোজা পৰিকল্পনা কৰি আছিলো। বহুদিন ব্যস্ততাৰ বাবে আমি তেনেকৈ ক'তো দূৰণিবটীয়া ভ্ৰমণ কৰিবলৈ যোৱা নাছিলো। তেনেতে আমি ঠিৰাং কৰিলো যে এইবাৰ দুৰ্গাপূজাৰ বন্ধত আমি ক'ৰবাত ফুৰিবলৈ যাম। কিন্তু ভ্ৰমণৰ ম্যাদ দীঘলীয়া কৰিব নোৱাৰো । কাৰণ পূজাৰ বন্ধ শেষ হ'লে আকৌ নিজৰ নিজৰ কৰ্মত সংস্থাপিত হ'ব লাগিব। যাৰবাবে আমি ওচৰৰ ঠাই এডোখৰ সুনিশ্চিত কৰাৰ সিদ্ধান্ত লোৱা হ'ল। প্ৰকৃতিৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ হে পাঁহ সৰুৰেপৰা তাতে আৰু দাদাজনো অস্বীকৃতিপ্ৰাপ্ত প্ৰকৃতিপ্ৰেমী। ভ্ৰমণ কালত মনে মিলা মানুহ পালে মনটোৱে বাৰুকৈয়ে উৎসাহ পায়। দাৰ্জিলিং, ছিকিম আদি জনপ্ৰিয় ঠাই তাতে আৰু পূজাৰ বন্ধ যথেষ্ট পৰ্যটকৰ ভিৰ হয় এই সময়চোৱাত। গতিকে আমি অন্য এডোখৰ ওচৰৰ ঠাই কালিম্পং পশ্চিমবংগৰ পাহাৰৰ বহু উচ্চতাত অৱস্থিত এখন গাঁও চাৰখোললৈ যোৱাতো নিশ্চিত কৰিলো। গাঁওখন বেছি জনবহুল নহয়, পাহাৰৰ বহু উচ্চতাত গাঁওখন অৱস্থিত হোৱাৰ বাবে যাতায়াতৰ অলপ অসুবিধা হয়। গাঁওখনত নেপালী সম্প্ৰদায়ৰ লগতে অন্য জনজাতিৰ লোক বসবাস কৰে। ভবামতে কাম ১০ অক্টোবৰ ২০২৪ তাৰিখে আমি যাত্ৰা আৰম্ভ কৰিলো। ৰে'ল অথবা উৰাজাহাজৰ পৰিৱৰ্তে আমি বাছেৰে শিলিগুৰিলৈ যাম। ৰাতি বাছেৰে যাত্ৰা কৰাৰ আমেজেই বেলেগ, গতিকে আমি ৰাতিৰ বাছৰ টিকট ক্ৰয় কৰিলো। ৰাতি ৭-৩০ মান বজাত বাছখন গুৱাহাটীৰ পৰা মিৰ্জাত উপস্থিত হ'ল। গুৱাহাটীৰ পৰা শিলিগুৰিলৈ বাছ দুটা ৰাস্তাৰে যায় গোৱালপাৰা হৈ আৰু বৰপেটা হৈ। আমি গোৱালপাৰা হৈ যোৱা বাছৰ টিকট ক্ৰয় কৰিছিলো কাৰণ আমাৰ দুজনৰে ঘৰ মিৰ্জাত। মনত বহু উৎসাহ আৰু আনন্দ মনেৰে আমি বাছৰ যাত্ৰা আৰম্ভ কৰিলো। বাছখনত আমাৰ লগতে অন্য আৰু বহু লোক লগ পালো। বেছিভাগ বেংগলী মানুহ যদিও তাৰে ভিতৰত কেইজনমান মান অসমীয়া পৰিয়ালৰ মানুহকো লগ পালো। তেওঁলোকেও পূজাৰ বন্ধত দাৰ্জিলিং ঘূৰিবলৈ আহিছে। বাছখনৰ চালকৰে ভুল নে নেজানো কিন্তু যিটো গতিত বাছখন যাব লাগিছিল সেয়া হৈ নুঠিল আৰু ক'ৰবাত বাছ ৰখালে বহু পলম হৈছিল। যাৰবাবে আমি নিৰ্ধাৰিত সময়ৰ বহু পলমকৈ ১১ অক্টোবৰৰ ৰাতিপুৱা ৮ মান বজাত শিলিগুৰি বাছ আস্থান পালো। বাছৰ পৰা নামি বাছ আস্থানত মুখহাত ধুই পৰৱৰ্তী আমাৰ নিৰ্ধাৰিত গন্তব্যস্থানলৈ যোৱাৰ যোজা আৰম্ভ কৰিলো। পলমকৈ বাছ আস্থানত উপস্থিত হোৱাৰ বাবে ইতিমধ্যে বহু গাড়ী যাত্ৰী লৈ বাছ আস্থান এৰিছে। আমাৰ গন্তব্যস্থান পাহাৰৰ শীৰ্ষত তাতে আৰু যাত্ৰাপথো সুগম নহয় তাৰবাবে বাছ নচলে। শ্বেয়াৰ টেক্সি অথবা অন্য সৰু গাড়ী ৰিজাৰ্ভ কৰিব লাগিব। কিছুসময় চিন্তাভাবনা কৰি আমি সৰু গাড়ী এখন ৰিজাৰ্ভ কৰাটো ঠিৰাং কৰিলো । আমাৰ ৰিজাৰ্ভ গাড়ী শিলিগুৰিৰ পৰা চেভক ৰোড হৈ কালিম্পংলৈ আগবাঢ়িল। কিছুদূৰ অতিক্ৰম কৰাৰ পাছত আমি পশ্চিমবংগৰ বিখ্যাত তৃষ্ণা নদীবান্ধৰ ওপৰেৰে হৈ পাহাৰত উঠিবলৈ আৰম্ভ কৰিলো। আৰম্ভণিৰে পৰাই এক শীতল মৃদু বতাহে আমাৰ দেহমন শীতল কৰি তুলিবলৈ ধৰিছে। পাহাৰৰ একাবেঁকা পথ লগতে পাহাৰৰ অতুলনীয় সৌন্দয্যই আমাক আপ্লুত কৰিছে। যিমানেই পাহাৰৰ উচ্চতা বগাইছো আমি অনুভৱ কৰিছোঁ যেন মেঘ আৰু কুঁৱলীয়ে আমাক হাতবাউলি আদৰণি জনাইছে। পাহাৰৰ উচ্চতা গৈ পাওঁতে আমি যাত্ৰাপথত কালিম্পংৰ পাম্বু ভিউ পইন্টত উপস্থিত হ'লো, য'ত যথেষ্ট সংখ্যক পৰ্যটকৰ ভিৰ পৰিলক্ষিত হ'ল। আমিও গাড়ীৰ পৰা নামি প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিবলৈ ধৰিলোঁ। সেই ভিউ পইন্টৰ পৰা হেনো হিমালয় পৰ্বতৰ কাঞ্চনজংঘা শৃংগ ধুনীয়া কৈ প্ৰত্যক্ষ কৰিবলৈ পোৱা যায় কিন্তু দুৰ্ভাগ্যবশত বতৰ প্ৰতিকূল হোৱাৰ বাবে আমাৰ সেয়া সৌভাগ্য নহ'ল। অৱশেষত আমি পাহাৰৰ একাবেঁকা পথেৰে উঠি উঠি আমি আমাৰ গন্তব্যস্থান চাৰখোলত দিনৰ ১১-৩০ মান বজাত উপস্থিত হ'লো। মেঘ, কুঁৱলীৰে আবৰি থকা গাঁওখনৰ সৌন্দয্য দেখি আমি মন্ত্ৰমুগ্ধ হৈ পৰিলো। গাঁওখনৰ জনবসতি ঘন নহয় আৰু তাত ডাঙৰ হোটেল দেখিব পোৱা নগ'ল। কিন্তু গাঁওখনৰ বেছিভাগ মানুহ নেপালী সম্প্ৰদায়ৰ আৰু তেওঁলোকে পৰ্যটক সকলৰ থকাখোৱাৰ সুবিধাৰ বাবে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ হোমষ্টে স্থাপন কৰিছে। হোমষ্টেবোৰৰ ভাড়া বৰবেছি নহয়। আমি দুয়োটাই তাৰে এটা ঘৰ থকাখোৱাৰ বাবে এদিনৰ বাবে ভাড়া হিচাপে ল'লো। আৰু বেছি সময় পলম নকৰি আমি ততাতৈয়াকৈ গা ধুইমেলি গাঁওখনৰ প্ৰাকৃতিক সৌন্দয্য উপভোগ কৰিবলৈ তৈয়াৰ হ'লো। আমি তৈয়াৰ হৈ থকা অৱস্থাতে আমাক দিনৰ আহাৰ স্বৰূপে হোমষ্টৰ গৰাকীজনীয়ে মেগী খাবলৈ দিয়ে। তাৰপাছত আমি ওলাই আহিলো গাঁওখনৰ সৌন্দৰ্য উপভোগ কৰিবলৈ। সঁচাকৈ চহৰৰ কোলাহলৰ পৰা দূৰত এখন নিৰল নিস্তব্ধ গাঁও, চহৰত উশাহ নিশাহ ল'লে প্ৰদূষিত বায়ু হাঁওফাঁওত প্ৰৱেশ কৰে আৰু তাত কি পৰিষ্কাৰ শুদ্ধ বতাহ, কিছুসময় আমি তাৰ জলবায়ু আৰু পৰিৱেশৰ মাজতে আপোনপাহৰা হৈ পৰিলো। গাঁওখন ঘূৰিফুৰি আমি দিনৰ ২ বজাত ৰুমলৈ আহিলো। ৰুম আহি পোৱাৰ লগেলগে আমাক দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিবলৈ দিলে। যান্ত্ৰিকতাৰ প্ৰভাৱ নপৰা গাঁওখনৰ মানুহবোৰৰ ব্যৱহাৰ আছিল অতিকৈ অমায়িক। দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি কিছুসময় জিৰণি লৈ আমি আকৌ আবেলি ওলাই আহিলো। এইবাৰ আমি গাঁওখনৰ বাসিন্দাসকলে কৰা খেতিবাতি সমূহ পৰিদৰ্শন কৰিলো। সন্ধিয়া ঠাণ্ডাৰ প্ৰভাৱ বেছি হোৱাত আমি ৰুমলৈ উভতি আহিলো। ৰুমত আহি ৰুমতে সন্ধিয়াৰ চাহকাপ আমি আমাৰ গঠনমূলক আলোচনা বিলোচনাৰে উপভোগ কৰিলো। ৰাতি আৰু বাহিৰত নগ'লো যিহেতুকে ঠাণ্ডাৰ প্ৰভাৱ ৰাতি বেছি হয়। ৰাতিৰ আহাৰ সাঁজ আমি ৰুমতেই গ্ৰহণ কৰিলো। ১২ অক্টোবৰ ৰাতিপুৱা ৬ বজাত শুই উঠিলো, ৰাতিপুৱাৰ চাহকাপ ৰুমত খাই আমি ৰাতিপুৱাৰ সৌন্দৰ্য উপভোগ কৰিবলৈ ওলাই আহিলো। ৰাতিপুৱাৰ সৌন্দৰ্যৰ কথাই সুকীয়া, কেওদিশে মেঘ আৰু কুঁৱলীৰ লুকাভাকু আৰু আমিও সৰু কলীয়া ল'ৰা-ছোৱালীৰ দৰে মেঘবোৰক ধৰিবলৈ দৌৰিছোঁ কেৱল দৌৰিছোঁ। সেইদিনাখন এনে লাগিছিল যেন আমি কোনো অজান দেশত আছোঁ য'ত নাই কোনো চিঞৰ বাখৰ আৰু নাই যান্ত্ৰিকতা চহৰৰ কোলাহল। কিছুসময় তেনেকৈ অতিবাহিত কৰি আমি ১০ মান বজাত ৰুমলৈ আহিলো। ৰুমত আহি ঘৰ অভিমুখে ৰাওনা হ'বলৈ তৈয়াৰ হ'বলৈ ধৰিলো। কিন্তু আমাৰ তাৰপৰা উভতি আহিবলৈ মুঠেই মন যোৱা নাছিল। বহু অভিজ্ঞতা, অনুভৱ, অনুভূতি বুকুত সাবটি আমি দিনৰ ঠিক ১ মান বজাত তেওঁলোকৰ পৰা বিদায় লৈ শিলিগুৰি বাছ আস্থানলৈ উভতি আহিলো। আবেলি ৩-৩০ মান বজাত আমি শিলিগুৰি বাছ আস্থানত উপস্থিত হ'লো। সেইদিনা দুৰ্গাপূজাৰ প্ৰতিমা বিসৰ্জন দিয়াৰ দিন যাৰ বাবে গুৱাহাটীলৈ অহা বাছৰ সংখ্যা যথেষ্ট কম। আমি কোনোমতে এখন গুৱাহাটীলৈ অহা বাছ এখন পালো আৰু আবেলি ৪ মান বজাত বাছত উঠি গুৱাহাটী অভিমুখে ৰাওনা হ'লো। ৰাতিপুৱা ঠিক ৪ মান বজাত আমি ঘৰ আহি পালো। এয়াই আছিল আমাৰ এটি ক্ষুদ্ৰ চুটি ভ্ৰমণ যাত্ৰা, বহু স্মৃতি, সন্তুষ্টি, অনুভৱ এই ভ্ৰমণৰ পৰা আমি আহৰণ কৰিবলৈ সক্ষম হ'লো।

**ম'বাইল ঃ** ৭০০২৮-১৬১৪৬

# অৰ্থনৈতিক ব্যৱস্থা আৰু ইয়াৰ ইতিহাস

■ **সমুজ্জ্বল ডেকা,** ৰঙিয়া

**এ**টা ঐতিহাসিক দৃষ্টিভংগী, প্ৰযুক্তিগত উন্নতি, সমাজৰ প্ৰয়োজনীয়তা আৰু মতাদৰ্শগত বিতৰ্কৰ দ্বাৰা গঢ় লৈ উঠা অৰ্থনৈতিক ব্যৱস্থাসমূহৰ সময়ৰ লগে লগে যথেষ্ট বিকাশ হৈছে। অৰ্থনৈতিক ব্যৱস্থাৰ ইতিহাস বুজিলে আধুনিক অৰ্থনীতিৰ জটিলতাৰ মূল্যৱান অন্তৰ্দৃষ্টি পোৱা যায়।

প্ৰাচীন কালত পৰম্পৰাগত অৰ্থনীতিৰ আধিপত্য আছিল; য’ত ৰীতি-নীতি, পৰম্পৰা আৰু সামাজিক স্তৰসমূহে অৰ্থনৈতিক কাৰ্যকলাপ নিৰ্ধাৰণ কৰিছিল। এই অৰ্থনীতিসমূহ প্ৰায়ে স্থানীয়কৃত আছিল। বিনিময় আৰু জীৱিকাৰ বাবে খেতি কৰাটো সাধাৰণ পদ্ধতি আছিল। ব্যৱসায়িকতাবাদ আৰু পুঁজিবাদৰ উত্থান যোড়শ শতিকাত হৈছিল। ব্যৱসায়িকতাবাদৰ উত্থানে ৰাষ্ট্ৰ নিয়ন্ত্ৰিত অৰ্থনীতিৰ দিশত পৰিৱৰ্তন ঘটায়, য’ত চৰকাৰসমূহে বাণিজ্য আৰু উপনিৱেশিকৰণৰ জৰিয়তে ধন আৰু ক্ষমতা জমা কৰিবলৈ বিচাৰিছিল। ইয়াৰ দ্বাৰা ব্যক্তিগত মালিকীস্বত্ব, মুক্ত বজাৰ আৰু লাভৰ উদ্দেশ্যক গুৰুত্ব দিয়া পুঁজিবাদৰ ভিত্তি স্থাপন কৰা হয়। ঔদ্যোগীকৰণ আৰু পুঁজিবাদী অৰ্থনীতিৰ বিকাশ ঔদ্যোগিক বিপ্লৱে অৰ্থনীতিৰ পৰিৱৰ্তন ঘটালে, কিয়নো গণ উৎপাদন, প্ৰযুক্তিগত উদ্ভাৱন আৰু বিশ্বায়নে অৰ্থনৈতিক পৰিৱেশক পুনৰ গঢ় দিছিল। পুঁজিবাদী অৰ্থনীতিৰ উন্নতি ঘটিছিল, আমেৰিকা আৰু পশ্চিম ইউৰোপ প্ৰধান অৰ্থনৈতিক শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছিল। সমাজবাদী আৰু কমিউনিষ্ট বিকল্প পুঁজিবাদী বিকাশৰ প্ৰতি সঁহাৰি জনাই সমাজবাদী আৰু কমিউনিষ্ট মতাদৰ্শৰ উত্থান ঘটিছিল, য’ত সামূহিক মালিকীস্বত্ব, সমাজ কল্যাণ, চৰকাৰী নিয়ন্ত্ৰণৰ পোষকতা কৰা হৈছিল। ছোভিয়েট ইউনিয়ন আৰু অন্যান্য সমাজবাদী ৰাষ্ট্ৰসমূহে পৰিকল্পিত অৰ্থনীতি ৰূপায়ণ কৰাৰ বিপৰীতে সামাজিক গণতান্ত্ৰিক আৰ্হিত পুঁজিবাদ আৰু সমাজবাদৰ উপাদানসমূহৰ মিশ্ৰণ ঘটিছিল। বিশ্বায়ন আৰু সমসাময়িক অৰ্থনৈতিক ব্যৱস্থাত আজি অৰ্থনৈতিক ব্যৱস্থাসমূহৰ বৈশিষ্ট্য হৈছে বিশ্বায়ন, প্ৰযুক্তিগত উন্নতি আৰু ক্ৰমাৎ বৃদ্ধি পোৱা আন্তঃসংযোগ। পুঁজিবাদ আৰু চৰকাৰী হস্তক্ষেপৰ উপাদানসমূহৰ সংমিশ্ৰণ ঘটোৱা মিশ্ৰিত অৰ্থনীতিৰ প্ৰচলন হৈছে। উদীয়মান বজাৰৰ উত্থান আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ ক্ৰমবৰ্ধমান গুৰুত্বই বিশ্ব অৰ্থনৈতিক পৰিৱেশক নতুন ৰূপ দিছে।

**উপসংহাৰ ঃ** সদৌ শেষত ক’ব পাৰি যে ঐতিহাসিক, সামাজিক আৰু প্ৰযুক্তিগত কাৰকৰ দ্বাৰা প্ৰভাৱিত হৈ সময়ৰ লগে লগে অৰ্থনৈতিক ব্যৱস্থাৰ যথেষ্ট বিকাশ হৈছে। পুঁজিবাদ, সমাজবাদ আৰু সাম্যবাদ আদি বিভিন্ন অৰ্থনৈতিক ব্যৱস্থাই বিশ্ব অৰ্থনীতিক গঢ় দিছে। অৰ্থনৈতিক ব্যৱস্থাৰ ইতিহাস বুজিলে আধুনিক অৰ্থনীতিৰ জটিলতাৰ মূল্যৱান অন্তৰ্দৃষ্টি পোৱা যায়।

**ম’বাইল ঃ** ৭৫৭৮৮-৮০৯৩৩

# বিস্ময়

■ **ৰিছামনি আকতাৰা**
লাহৰীঘাট, মৰিগাঁও

অন্যতকৈ সদায় ব্যতিক্ৰমী আছিল চলন-ফুৰণ, অন্যতকৈ উন্নত আছিল মনীষাৰ চিন্তাধাৰা। সদায় ভাল পাইছিল ইচ্ছা মতে জীৱনটো সজাবলৈ। পিছে বিধিয়ে দিলে বিধাতাই নিদিয়ে। ভৰযৌৱনত ভৰি থোৱাৰে পৰা মনত সাঁচি লৈ ফুৰা নানাৰঙী সপোনবোৰক সপোনৰ বাকচতেই সমাধিস্থ কৰি বিয়াৰ মাথোঁ চ মাহ পাছতেই তাইৰ শিৰৰ সেন্দূৰকণ মচি দি স্বামীয়ে বিদায় ল’লে এই পৃথিৱীৰ মায়া এৰি।

**ম’বাইল ঃ** ৬০০১১২৩৪৪৮




# সাংস্কৃতিকনগৰী জামুগুৰিহাটত দহ হাজাৰ মহিলাৰদ্বাৰা সমৱেত দিহানাম প্ৰদৰ্শনে অভিলেখ সৃষ্টি



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ সাংস্কৃতিকনগৰী হিচাপে খ্যাত জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনাৰ পবিত্ৰ স্থলী পকামূৰা পথাৰত মঙলবাৰে বিয়লি দহ হাজাৰ মহিলা সমৱেত হৈ একে সময়তে পৰিৱেশন কৰা দিহানাম প্ৰদৰ্শনে অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হয়। নদুৱাৰ সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি পদ্ম হাজৰিকাৰ উপস্থিতিত জেষ্ঠ সমাজকৰ্মী তথা বন্তি প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰা ৰামেশ্বৰী হাজৰিকাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা উক্ত দিহানাম ভাগৰ শুভ উদ্বোধন কৰে মৰিগাঁও জিলাৰ পৰা আমন্ত্ৰণ কৰি অনা দিহানাম সম্ৰাজ্ঞী ভাগ্যশ্ৰী দেৱীয়ে। পবিত্ৰ অনুষ্ঠানভাগ শুভাৰম্ভ হোৱাৰ লগে লগেই জামুগুৰিহাটৰ প্ৰত্যেকখন গাঁৱৰ পৰা অহা দহ হাজাৰ আই মাতৃয়ে একেলগে ভক্তি ৰসেৰে পৰিৱেশন কৰা দিহানামৰ ধ্বনিৰে বৃহত্তৰ জামুগুৰি অঞ্চলৰ আকাশ বতাহ কঁপাই তোলে। উক্ত আকৰ্ষণীয় অনুষ্ঠানভাগ জামুগুৰি ব’হাগী মেলাৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষ্যে উদ্যোক্তাসকলে এনেধৰণৰ ব্যতিক্ৰমী কাৰ্যসূচীৰে জামুগুৰিহাটলৈ এক ইতিহাস ৰচিত কৰে।

# কেৰিয়াৰ হাতপুথি

■ **দুলুমণি দেৱী,** মাকুম

**কে**ৰিয়াৰ হাতপুথি কিতাপখন ড° বুলজিৎ বুঢ়াগোহাঁইয়ে নৱপ্ৰজন্মৰ কাৰণে যুগুত কৰি উলিয়াইছে। বৰ্তমান পুথিখনৰ যথেষ্ট প্ৰয়োজনীয়তা আছে বুলি আমি অনুভৱ কৰিছো। কিতাপখনৰ ওপৰত তেখেতৰ অনুমতি সাপেক্ষে একলম লিখিবলৈ আগ্ৰহ প্ৰকাশ কৰিলো। আমি প্ৰত্যেক অভিভাৱকে ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰক লৈ সজাগ আৰু সচেতন। বহু জল্পনা-কল্পনা কৰো শিশুৰ ভৱিষ্যতক লৈ। এতিয়া কথা হ’ল তেওঁলোকে কোনটো বিভাগ লৈ পঢ়িব বা কেনেদৰে আগবাঢ়িব পাৰিব সেইটো নিৰ্ণয় কৰিবলৈ বহুতৰ বাবে কষ্টকৰো হয়। অতি তন্ন তন্নকৈ কেৰিয়াৰ হাতপুথিত এই সম্পৰ্কে ড° বুলজিৎ বুঢ়াগোহাঁইয়ে বিশ্লেষণ কৰিছে। সাধাৰণতে মেট্ৰিক পাছ কৰাৰ পাছতেই ছাত্ৰ-ছাত্ৰীসকলে সিদ্ধান্ত লয় (Arts, Science, Commerce ) কোনটো বিভাগত পঢ়িব। Arts পঢ়িলে হায়াৰ ছেকেণ্ডৰী পাছ কৰি কোনটো দিশত আগবাঢ়িব পাৰিব, ঠিক তেনেকৈ Science, Commerce ল’লে কোনটো দিশত সঠিকভাৱে প্ৰস্তুত কৰি তুলিবলৈ সক্ষম এই সকলো কথা জানিব পাৰিব। প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ’ব পৰাকৈ প্ৰস্তুত কৰিবলৈ হ’লে কেৰিয়াৰ হাতপুথিয়ে বহুখিনি সহায়ক হ’ব, কাৰণ তাত বয়সৰ সীমাৰ পৰা আৰম্ভ কৰি কোনটো পৰীক্ষা কেতিয়া অনুষ্ঠিত হয় সেই সকলোবিলাক অতি বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে। সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ’বৰ বাবে কেনেদৰে অধ্যয়ন কৰিব লাগিব, তাৰ বাবে প্ৰাংসগিক পুথি কোনবিলাক হ’ব ইত্যাদি কথাবিলাকো জানিব পাৰিব। কেৰিয়াৰ হাতপুথি (বনলতা সংস্কৰণ ৪৩০ পৃষ্ঠাজোৰা পুথিখনৰ দামো বহুত বেছি নহয়, সকলোৰে সুবিধা হোৱাকৈ যুগুত কৰা পুথিখন বিশেষকৈ গ্ৰন্থাগাৰসমূহত ৰখাৰ ব্যৱস্থা কৰিলে মহাবিদ্যালয়, বিশ্বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বহুলোক উপকৃত হ’ব বুলি আমি আশাবাদী। এটা অতি ভাল লগা কথা যে প্ৰতি শনিবাৰে ছয় বজাৰ পৰা ন বজালৈকে ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ সম্পৰ্কে তেখেতৰ লগত ফোনযোগে যোগাযোগ কৰিও বহু প্ৰশ্নৰ উত্তৰ পাব পাৰে, বিদেশত অধ্যয়নৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে প্ৰস্তুতি চলাব সেই বিষয়েও সুন্দৰকৈ জানিব পাৰিব। সকলোৰে সহযোগিতাত পুথিখনে আৰু অধিক গুৰুত্বতা পাওঁক তাকে আমি কামনা কৰো।

**ম’বাইল ঃ** ৯৬৭৮১-৬৪৯৭৪




*স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।*
*Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &*
*Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor :* Pranati Bora
*Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,*

*সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া*
*সম্পাদক ঃ প্ৰণতি বৰা*